সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক
# ৰঙিলী বাৰ্ত্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,১৬ সংখ্যা, ৬ ব'হাগ , ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 16 Date of Publication- 20 April 2025 Rs. 10.00/-

## বিৰোধী ঐক্যমঞ্চ হ'বলৈ নিদিয়ে গৌৰৱ গগৈয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বেই পুনৰ থানবান হ'ল বিৰোধী ঐক্য। নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পূৰ্বেই ৩৭খন জিলা পৰিষদৰ আসনত বিজেপি আৰু মিত্ৰদলে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰাৰ বিপৰীতে মিত্ৰতাৰ প্ৰসংগক লৈ এতিয়াও অভিযোগ-প্ৰতিঅভিযোগত ব্যস্ত আছে কংগ্ৰেছ আৰু আন বিৰোধী দলসমূহ। শিৱসাগৰ সমষ্টিত পঞ্চায়ত আসনৰ বুজাবুজিৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ কংগ্ৰেছে নস্যাৎ কৰাৰ পিছতেই কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰিল ৰাইজৰ দলৰ সভাপতি অখিল গগৈ। অখিল গগৈৰ স্পষ্ট অভিযোগ-বিৰোধীক এক হ'বলৈ নিদিয়া মানুহজনেই হ'ল গৌৰৱ গগৈ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মিলি গৈছে যোৰহাটৰ সাংসদগৰাকী। উল্লেখ্য যে শিৱসাগৰ পুৰণি আৰু নতুন সমষ্টি মিলি মুঠ ছখন জিলা পৰিষদত কংগ্ৰেছৰ সৈতে আসন বুজাবুজিৰ প্ৰস্তাৱ দিছিল বিধায়ক অখিল গগৈয়ে। বিধায়কগৰাকীৰ এনে প্ৰস্তাৱক গুৰুত্ব নিদিলে কংগ্ৰেছৰ শিৱসাগৰ জিলা কমিটীয়ে। কাৰ্যতঃ কংগ্ৰেছৰ শিৱসাগৰ জিলা কমিটীৰ বিৰোধিতাৰ বাবেই ৰাইজৰ দলৰ সৈতে কংগ্ৰেছৰ আসন বুজাবুজি সম্ভৱ নহ'ল। ইয়াকে লৈ বিস্ফোৰক অভিযোগেৰে সৰৱ হৈ পৰা অখিল গগৈয়ে কয় যে শিৱসাগৰ সমষ্টিৰ কংগ্ৰেছৰ নেতা শুভ্ৰমিত্ৰ গগৈ সাংসদ গৌৰৱ গগৈৰ অতি ঘনিষ্ঠ। একেটা সময়তে এইজন শুভ্ৰমিত্ৰ গগৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰো অতি ঘনিষ্ঠ ব্যক্তি। গতিকে কোনোবা স্থানত গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ সৈতে মিলি গৈছে। সংবাদ মাধ্যমৰ আগত অখিল গগৈয়ে কয়- আসন বুজাবুজিৰ বিষয়টোক লৈ মই গৌৰৱ গগৈলৈ পত্ৰ লিখিছোঁ। আনকি গৌৰৱ গগৈয়েও বিষয়টো আলোচনা কৰি মোক জনাব বুলি কথা দিছিল। পৰৱৰ্তী সময়ত তেওঁক মই দুবাৰকৈ ফোন কৰিলোঁ যদিও তেওঁ ফোন ৰিচিভ নকৰিলে।

(দহ পৃষ্ঠাত চাওক)

## ৱাক্‌ফ আইনৰ বিৰোধিতাৰ নামত মুৰ্ছিদাবাদত হিন্দুক আক্ৰমণৰ প্ৰতিবাদ বিশ্ব হিন্দু পৰিষদৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব হিন্দু পৰিষদে পশ্চিমবংগৰ মুৰ্ছিদাবাদত ৱাক্‌ফ আইনৰ বিৰোধিতাৰে সনাতন হিন্দুসকলৰ ওপৰত চলা অত্যাচাৰক লৈ উদ্বেগ প্ৰকাশ কৰিছে। সমগ্ৰ দেশৰ লগতে অসমতো প্ৰতিখন জিলাত এই উৎপীড়নৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি সংগঠনটোৱে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে। গুৱাহাটী মহানগৰীৰ চচল ধৰ্ণাস্থলীত বিশ্ব হিন্দু পৰিষদৰ উত্তৰ-পূব প্ৰান্তই পশ্চিমবংগৰ মুৰ্ছিদাবাদত হিন্দুসকলৰ বিৰুদ্ধে হোৱা অত্যাচাৰৰ বাবে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তাৰ পিছতে গুৱাহাটী প্ৰেছক্লাবত আয়োজিত এখন সংবাদ মেলত সংগঠনটোৰে উত্তৰ-পূব প্ৰান্তৰ সম্পাদক ব্ৰজজ্যোতি শৰ্মাই কয় যে ৱাক্‌ফ আইনৰ বিৰোধিতাৰ নামত মুৰ্ছিদাবাদক হিন্দু শূন্য কৰাটোহে মুখ্য উদ্দেশ্য। মুৰ্ছিদাবাদত এই আইনৰ বিৰোধিতাৰ নামত ২০০ৰো অধিক হিন্দুৰ ঘৰ, ব্যৱসায়িক প্ৰতিষ্ঠান জ্বলাই দিয়া হ'ল। কেইবাশ মানুহ এই ঘটনাত ঘূণীয়া হোৱাৰ লগতে তিনিজনকৈ হিন্দু লোকক ঘৰৰ পৰা উলিয়াই আনি হত্যা কৰা হ'ল। শ শ হিন্দু লোকে অত্যাচাৰত টিকিব নোৱাৰি নিজৰ ঘৰ এৰি মুৰ্ছিদাবাদৰ পৰা পলায়ন কৰিছে। এই ভয়ংকৰ সময়ত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে



(দহ পৃষ্ঠাত চাওক)

## ৮ ছেপ্টেম্বৰত অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নতুন দিল্লীত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। ৮ ছেপ্টেম্বৰত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি অসম ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনায়। সাক্ষাৎকালত প্ৰধানমন্ত্ৰী মোদীয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ আমন্ত্ৰণ ৰক্ষা কৰি সেইদিনা অসম ভ্ৰমণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। লক্ষণীয়ভাৱে নতুন দিল্লীৰ ৭জনকল্যাণ মাৰ্গস্থিত প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসভৱনত হোৱা প্ৰায় ২০ মিনিটৰ বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে প্ৰধানমন্ত্ৰী মোদীক

(দহ পৃষ্ঠাত চাওক)

## বটদ্ৰৱাত ৫ শতাধিক কংগ্ৰেছ কৰ্মীৰ বিজেপিত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও জিলাৰ বটদ্ৰৱাৰ ভোমোৰাগুৰিত পাঁচ শতাধিক কংগ্ৰেছ কৰ্মীৰ দলত্যাগ কৰি বিজেপিত

(দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত মন্ত্ৰী প্ৰশান্ত ফুকনক ‘হনুমানব’ কানৈ সোঁৱৰণী বঁটা’ প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- ‘অসম বিভিন্ন সংস্কৃতিৰ ৰম্যভূমি আৰু ইয়াৰ জ্ঞানৰ ঐতিহ্য অতি প্ৰাচীন’- ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব’ সুৰজমল কানৈ মহাবিদ্যালয়ৰ উদ্যোগত পোন প্ৰথমবাৰৰ বাবে কানৈ মহাবিদ্যালয়ৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাতা, দানবীৰ, ৰায়চাহাব, পদ্মশ্ৰী হনুমানব’ কানৈৰ মৃত্যুতিথিৰ লগত সংগতি ৰাখি আয়োজন কৰা বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, ৰয়েল গ্ল’বেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (শৈক্ষিক) ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে এইদৰে কয়। ‘অসমৰ উচ্চ শিক্ষাঃ অতীত, বৰ্তমান আৰু ভৱিষ্যত’- শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° বুঢ়াগোহাঁয়ে কয় -যে আহোম শাসন কালৰ শিক্ষা ব্যৱস্থা জীৱিকা অৰ্জনৰ বাবে প্ৰদান কৰা হোৱা নাছিল, জ্ঞান, কৌশল আহৰণৰ বাবেহে প্ৰদান কৰা হৈছিল। অধ্যাপিকা ড° ভূষণা দুৱৰা কলিতাই আঁতধৰা অনুষ্ঠানটিত তেওঁ কয় - মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সময়ত টোলৰ শিক্ষা পদ্ধতি অধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ আছিল আৰু বৃটিছশাসন কালত বৃটিছ চৰকাৰ আৰু আনন্দ ৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম বৰুৱাকে প্ৰমুখ্য কৰি কেইবাজনো মুষ্টিমেয় অসমীয়াৰ প্ৰচেষ্টাত অসমত উচ্চ শিক্ষাই অগ্ৰগতি লাভ কৰিছিল। মুখ্য দ্বাৰৰ পৰা আৰতি কৰি গায়ন-বায়ন, এন চিচিৰে উষ্ম আদৰণী জনাই সভাগৃহলৈ অনা সভাখনিত তেওঁ কয়- ডিব্ৰুগড়ত উচ্চ শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ ক্ষেত্ৰত দানবীৰ, পদ্মশ্ৰী হনুমানব’ কানৈৰ বহুমূলীয়া অৱদান আছিল। তেওঁ কয়- ভৱিষ্যতৰ শিক্ষাই উদ্যোগীক বিপ্লৱ সৃষ্টিত অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগিব। সম্প্ৰতি স্বায়ত্ব শাসন লাভ কৰা কানৈ মহাবিদ্যালয়ক অভিনন্দন জ্ঞাপন কৰি এই মহাবিদ্যালয়ে ভৱিষ্যতে উদ্যোগীক কেন্দ্ৰ (IndustrialHub) গঠন কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত পোন প্ৰথমবাৰৰ বাবে ‘হনুমানব’ কানৈ সোঁৱৰণী বঁটা’ প্ৰদান কৰা হয় শক্তি, দক্ষতা, নিয়োগ, উদ্যমিতা দপ্তৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনক। বঁটা গ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে হনুমানব’ কানৈয়ে সমাজলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ ওপৰত আলোকপাত কৰি তেওঁক এই বঁটা প্ৰদান কৰাৰ বাবে অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ লগতে কানৈ পৰিয়ালৰ সমূহ সদস্য আৰু কানৈ মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা ভাৰতবৰ্ষৰ দিল্লী, মুম্বাই, কলকতা, ডিব্ৰুগড়, তিনিচুকীয়াত থকা হনুমানব’ কানৈ পৰিয়ালৰ সদস্যবৃন্দ ক্ৰমে জ্যোতি প্ৰসাদ কানৈ, নন্দ কিশোৰ কানৈ, ৰাজীৱ ৰতন কানৈ, নীৰু কানৈ, দীনেশ কানৈ, বেনুকানৈ, প্ৰতিভা কানৈ, বিকাশ কানৈ, সুনীত কানৈ, স্মৃতি কানৈ আৰু প্ৰণৱ কানৈক একোখনকৈ ফুলাম গামোছাৰে কৃতজ্ঞতা আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ৮০ বছৰ অতিক্ৰম কৰা ডি এইচ এছ কানৈ মহাবিদ্যালয়ত এনে এক গাম্ভীৰ্যপূৰ্ণ সভাত স্বপ্নদ্ৰষ্টা হনুমানব’ কানৈক স্মৰণ কৰাৰ পৱিত্ৰ ক্ষণত ঐতিহাসিক মুহুৰ্ত্তৰ সাক্ষী হ’বলৈ পাই হনুমানব’ কানৈৰ পৰিয়ালৰ সদস্যসকল অশ্ৰুসিক্ত নয়নেৰে আৱেগিকহৈ পৰে। কানৈ পৰিয়ালৰ তৰফৰ পৰা জ্যোতি প্ৰসাদ কানৈয়ে বক্তব্য আগবঢ়াই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানৰ পূৰ্বে মহাবিদ্যালয় চৌহদত নতুনকৈ প্ৰতিষ্ঠা কৰা কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ অন্যতম এক কাণ্ডাৰী সুৰজমল কানৈৰ প্ৰতিমূৰ্তিত শুভ উন্মোচন কৰে মন্ত্ৰী প্ৰশান্ত ফুকনে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ সংগীতেৰে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শইকীয়াৰ উদ্যোগত, জ্যোতি

(দহ পৃষ্ঠাত চাওক)

# বৰপেটাত অসম সাহিত্য সভাৰ সেতুবন্ধ কাৰ্যসূচী




ৰঙিলী বাৰ্ত্তাসেৱা- সমাজ আজি অনিয়ন্ত্ৰিত, এই সমাজক নিয়ন্ত্ৰণ-শৃংখলিত কৰি সুসমাজ নিৰ্মাণৰ দায়িত্ব আমাৰ অৰ্থাৎ অসম সাহিত্য সভাৰ প্ৰতিজন কৰ্মী-সদস্যৰ। সেয়ে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য-সদস্যাসকলক মনোনীত কৰি দায়িত্ব অৰ্পণ কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লগা হৈছে। অসম সাহিত্য সভাৰ সেতুবন্ধ যাত্ৰা কাৰ্যসূচীৰ অন্তৰ্গত মন জুৰুৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয়। ভাষণ প্ৰসংগত বৰাই কয় যে সত্ৰৰ সজ্জনসকলক লৈ অসম সাহিত্য সভাই শাখা সাহিত্য সভা গঠনৰ প্ৰক্ৰিয়া চলাই যাব । বৰপেটা শতদল সাহিত্য সভাৰ সৌজন্যত বৰপেটা সাহিত্য সভাৰ সভাপতি হিৰণ শইকীয়া লহকৰৰ পৌৰহিত্যত অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱাই বিশেষ আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে

(দহ পৃষ্ঠাত চাওক)

# ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ পৰা অসম সাহিত্য সভাৰ সেতুবন্ধ কাৰ্যসূচী আৰম্ভ




ৰঙিলী বাৰ্ত্তাসেৱা- শৰৎ চন্দ্ৰ গোস্বামী নথকা হ’লে অসম সাহিত্য সভাৰ গজালি নহ’লহেতেন; সেই অসম সাহিত্য সভাই বটবৃক্ষৰ ৰূপলৈ আজি প্ৰাণশক্তি লাভৰ বাবে ৰাইজৰ মাজলৈ আহিছে। অসম সাহিত্য সভাই কি কৰিব নোৱাৰে, ইচ্ছা কৰিলে অসমৰ ৰাইজৰ সহযোগত সকলো কামেই সম্ভৱ। নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত আজি অসম সাহিত্য সভাৰ মন জুৰুৱা আৰু সেতুবন্ধ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ সংখ্যা বৃদ্ধি কৰি সাংগঠনিক ভাৱে সভাখনক শক্তিশালী কৰা দায়িত্ব অসমৰ ৰাইজ, শাখা আৰু জিলা সাহিত্য সভাসমূহৰ। অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে অসম সাহিত্য সভাৰ ধ্বজা চিৰ দিনৰ বাবে উৰুৱাই ৰাখিবলৈ সাহিত্য-ভাষা-সংস্কৃতিৰ উত্তৰণৰ লগতে সাংগঠনিকভাৱেও সভ্য আৰু শাখা সাহিত্য সভাৰ বৃদ্ধিৰে সকলো অসমীয়াই অংশীদাৰিত্ব গ্ৰহণ কৰিব লাগিব। ইফালে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰি কয় যে অসম সাহিত্য সভা শক্তিশালী হ’লেহে অসমীয়া জাতি শক্তিশালী হ’ব। জাতিক অস্থিৰ কৰাসকলক আমি চিনাক্ত কৰি সংশোধন কৰাৰ ব্যৱস্থা ল’ব লাগিব। তেওঁ লগতে দোহাৰে যে অসম সাহিত্য সভাৰ দায়িত্ব ল’বলৈ সংগঠক-কৰ্মীৰ অভাৱ নাই, মাত্ৰ আমি তেওঁলোকক শৃংখলিত পদ্ধতিৰে সভাৰ সেৱাৰ বাবে আগুৱাই আনিব লাগিব। নলবাৰী জিলাৰ সুভদ্ৰা চৌধুৰী ভৱনত জিলা সাহিত্য সভাৰ সভাপতিৰ বীৰেন চক্ৰৱৰ্তীৰ সভাপতিত্বত

(দহ পৃষ্ঠাত চাওক)

# দিব্যাংগ কিশোৰীক ধৰ্ষণৰ বিৰুদ্ধে বধিৰ সন্থাৰ প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ বিৰুবাৰীৰ অসম বধিৰ সন্থাৰ মুখ্য কাৰ্য্যালয়ৰ প্ৰাংগনত উত্তৰ প্ৰদেশৰ ৰামপুৰ ঠাইত যোৱা পৰহি এজনী ১৬ বছৰীয়া মোক-বধিৰ দিব্যাংগ কিশোৰীক পুনৰাই নি ধৰ্ষণ কৰি পেলাই থোৱা, অসমৰ বিভিন্ন ঠাইত বধিৰ তথা দিব্যাংগ অসহায় যুৱতী সকলৰ শাৰীৰিক মানসিক অত্যাচাৰ কৰা গণ- ধৰ্ষণ আদি ঘটনা আদি বন্ধ কৰা, বধিৰ যুৱতী সকলক চলন ফুৰণত উপযুক্ত নিৰাপত্তাৰ ব্যৱস্থা কৰাৰ দাবীত অসম বধিৰ সন্থাৰ উদ্যোগত অসম ফাউণ্ডেচন দিব্যাংগ মহিলা সকলে হাতে - হাতে প্লে-কাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত অংশ গ্ৰহণ কৰে অসম বধিৰ সন্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ শৰ্মা, অসম বধিৰ মহিলা সন্থাৰ সাধাৰণ সম্পাদিকা পিযু মণি শইকীয়া, উপ-সভানেত্ৰী আনোৱাৰা বেগম সহ প্ৰায় ২৫ জন মানে প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত আছিল। আনহাতে, অসম বধিৰ সন্থাই ২৭ এপ্ৰিলত দিনৰ ১১-৩০ বজাত বিৰুবাৰীৰ বধিৰ সন্থাৰ মুখ্য কাৰ্য্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত কৰিব।

# আমিনগাঁৱত এছটিএফৰ অভিযান

ৰঙিলী বাৰ্ত্তাসেৱা- আমিনগাঁৱত অসম আৰক্ষীৰ স্পেচিয়েল টাস্ক ফ'ৰ্চে(এছটিএফ) অভিযান চলাই দুখন পৃথক বাহনৰ পৰা ৭১ কোটি টকা মূল্যৰ য়াবা টেবলেট আৰু হেৰ'ইন জব্দ কৰে। এছটিএফৰ মুৰব্বী তথা গুৱাহাটীৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তৰ নেতৃত্বত গোপন সূত্ৰৰ খবৰৰ ওপৰত ভিত্তি কৰি আমিনগাঁৱত অভিযানটো চলোৱা হৈছিল। জানিব পৰা মতে চুবুৰীয়া ৰাজ্য মণিপুৰৰ পৰা ৪০টা চাবোনৰ বাকচত ৫২০গ্ৰাম হেৰ ইনখিনি অনা হৈছিল। এ এছ ০১ ডি এ ৯২৭৬ নম্বৰৰ হুণ্ডাই আই ২০ বাহনখনত গোপনীয় চেম্বাৰত হেৰ'ইনখিনি অনা হৈছিল। এছটিএফে বাহনখনৰ চালক কাছাৰৰ ঢলাইৰ নজৰুল হুছেইন ওৰফে আলী হুছেইন নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰিছে। তাৰ পিছত এছটিএফে আমিনগাঁৱতে চলোৱা আন এক অভিযানত এ এছ ০১ এছ চি ৫৬২২ নম্বৰৰ ট্ৰাকখনৰ পৰা ২, ৭০, ০০০টা য়াবা টেবলেট জব্দ কৰে। জব্দকৃত টেবলেটখিনিৰ মূল্য ৬৭ কোটি টকা হোৱাৰ লগতে হেৰ'ইনখিনিৰ মূল্য ৪ কোটি টকা হ'ব বুলি জানিব পৰা গৈছে। এছটিএফে ট্ৰাকখনৰ চালক বজালী জিলাৰ নুৰ ইছলামক গ্ৰেপ্তাৰ কৰিছে। জব্দকৃত টেবলেট আৰু হেৰ 'ইনখিনি বহিঃৰাজ্যলৈ প্ৰেৰণ কৰাৰ চেষ্টা সৰবৰাহকাৰীয়ে চলাইছিল। এছটিএফে ধৃত সৰবৰাহকাৰী দুটাক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে।

# বিনা প্ৰতিদ্বন্দ্বিতাৰে ৩২৫ আসন লাভ কৰিছে এনডিএ মিত্ৰজোঁটে



ৰঙিলী বাৰ্ত্তাসেৱা- পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বেই কাৰ্যতঃ আত্মসমৰ্পণ কৰিলে বিৰোধীয়ে। ৰাজ্যৰ পঞ্চায়ত ব্যৱস্থাৰ ৩৪৮খন আসনত নহয় কোনো প্ৰতিদ্বন্দ্বিতা। ইয়াৰে ৩২৫ খন আসন বিনা প্ৰতিদ্বন্দ্বিতাৰে লাভ কৰিছে বিজেপি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটে । উল্লেখ্য যে সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে শুকুৰবাৰে মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনটোত কেইবাখনো জিলাত কংগ্ৰেছ প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ পাছত এনডিএই জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ মুঠ ৩২৫খন আসনত বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হ'বলৈ সক্ষম হ'ল। জিলা পৰিষদত ৩৫খনত বিজেপিয়ে আৰু দুখনত অগপই বিনাপ্ৰতিদ্বন্দ্বিতাই জয় হোৱাৰ বিপৰীতে আঞ্চলিক পঞ্চায়তত বিজেপিয়ে ২৫৯খন আসনত আৰু অগপই ২৯খন আসনত বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হ'বলৈ সক্ষম হয়। অৱশ্যে আঞ্চলিক পঞ্চায়তত এআইউডিএফে এখন আসনত, নিৰ্দলীয়ই ১৩খন আসনত আৰু কংগ্ৰেছে ৯খন আসনত বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। ইয়াৰ বিপৰীতে কিন্তু জিলা পৰিষদত কংগ্ৰেছ, এআইইউডিএফ অথবা নিৰ্দলীয়ই এখনো আসন বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিবলৈ সক্ষম হোৱা নাই। লক্ষণীয়ভাৱে নদুৱাৰ সমষ্টিত জিলা পৰিষদৰ সদস্যৰ আসন আৰু আঞ্চলিক পঞ্চায়তৰ সকলো সদস্যৰ আসন ( নপৃষ্ঠাত চাওক)

# গুৱাহাটীত ভাৰতীয় জনতা যুৱ মৰ্চাৰ উত্তাল প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- নেচনেল হেৰাল্ড গোচৰত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক ইডিয়ে অভিযুক্ত কৰাৰ পিছতে দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত গান্ধী পৰিয়ালৰ বিৰুদ্ধে ভাৰতীয় জনতা যুৱ মৰ্চাই প্ৰতিবাদ সাব্যস্ত কৰে। গুৱাহাটীৰ হেঙেৰাবাৰীৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ গুৱাহাটী মহানগৰ জিলা কাৰ্যালয়লৈ এক প্ৰতিবাদী সমদল উলিয়াই ভাৰতীয় জনতা যুৱ মৰ্চাৰ (আঠপৃষ্ঠাত চাওক)

# চানমাৰিৰ বিহু মঞ্চত অপমানিত শিল্পী দিগন্ত ভাৰতী



ৰঙিলী বাৰ্ত্তাসেৱা- ৰঙালী বিহুৰ আনন্দ-উৎসৱৰ মাজতে চানমাৰিৰ পূব গুৱাহাটী বিহু সন্মিলনৰ মঞ্চত শিল্পী দিগন্ত ভাৰতীক আয়োজকে অপদস্থ কৰাৰ গুৰুতৰ অভিযোগক লৈ উত্তাল হৈ পৰিছে ৰাজ্যৰ সাংস্কৃতিক মহল। উল্লেখ্য যে বুধবাৰে নিশা পূব গুৱাহাটী বিহু সন্মিলনে চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজন কৰা সাংস্কৃতিক কাৰ্যসূচীত অনুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰণ জনাইছিল শিল্পীগৰাকীৰ পত্নী তথা কণ্ঠশিল্পী ভাস্বতী ভাৰতীক। সেইমৰ্মে ভাস্বতী ভাৰতীয়ে বিহু মঞ্চত সংগীত পৰিৱেশনলৈ অহাৰ সময়তে তেওঁৰ অনুষ্ঠান উপভোগৰ বাবে অতিথি দৰ্শক হিচাপে লগত উপস্থিত আছিল স্বামী দিগন্ত ভাৰতীও। শিল্পী দিগন্ত ভাৰতীয়ে উল্লেখ কৰা অনুসৰি অনুষ্ঠান চলি থকাৰ মাজতেই দুগৰাকী সমিতিৰ বেজ পৰিধান কৰা লোকে আহি তেওঁক মঞ্চত দুটা গীত পৰিৱেশনৰ বাবে অনুৰোধ জনায়। সেই মতেই তেওঁ মঞ্চত উঠি গীত পৰিৱেশন কৰে যদিও এটা বিহুগীত পৰিৱেশনৰ পাছতেই তেওঁক আয়োজকৰ একাংশই হাতৰ মাইক্ৰ'ফোন কাঢ়ি মঞ্চৰ পৰা নামি যাবলৈ কয়। তেওঁ কয় যে মই গীত গাবলৈ তালৈ যোৱা নাই। এজন সাধাৰণ দৰ্শক হিচাপেহে গৈছিলোঁ। সমিতিৰ দুজন লোকে আহি মোক অনুৰোধ কৰাৰ পাছতহে মঞ্চত উঠিছিলোঁ। তেওঁলোকৰ মঞ্চত সংগীত পৰিৱেশনৰ ক্ষেত্ৰত ( নপৃষ্ঠাত চাওক)

# অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বৰাক সাংস্কৃতিক মহোৎসৱৰ বৃহৎ শোভাযাত্ৰা




ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, অসম প্ৰদেশ আৰু ৰাষ্ট্ৰীয় কলা মঞ্চৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা বৰাক সাংস্কৃতিক মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰা আয়োজন কৰা হয়। শোভাযাত্ৰাৰ সময়ত প্ৰচণ্ড ধুমুহা আৰু বৰষুণ হৈছিল যদিও শতাধিক ছাত্ৰ ছাত্ৰীৰ অংশগ্ৰহণেৰে এই শোভাযাত্ৰাৰ সফল (আঠপৃষ্ঠাত চাওক)

# ৱাক্‌ফ সংশোধনী আইনক লৈ দ্বিতীয় দিনাও উচ্চতম ন্যায়ালয়ত শুনানি



ৰঙিলী বাৰ্ত্তাসেৱা- উচ্চতম ন্যায়ালয়ে ৱাক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাক লৈ প্ৰত্যাহ্বান জনোৱা আবেদনৰ শুনানি গ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে বুধবাৰে ৭২খন আবেদন একত্ৰিত কৰি লৈ শুনানি লোৱাৰ অন্তত বৃহস্পতিবাৰে পুনৰ বিয়লি ২ বজাত ৱাক্‌ফ সংশোধনী আইনক লৈ শুনানি গ্ৰহণ কৰে। এই শুনানিৰ সময়ত মুখ্য ন্যায়াধীশ খান্নাৰ নেতৃত্বৰ বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰক ৱাক্‌ফ আয়োগ তথা ৱাক্‌ফ ব'ৰ্ডত নতুন নিযুক্তি নিদিবলৈ নিৰ্দেশ দিয়ে। ঠিক তেনেদৰে ৱাক্‌ফৰ কোনো সম্পত্তি সালসলনি কৰিব নোৱাৰিব বুলিও বিচাৰপীঠে নিৰ্দেশ দিয়ে। পৰৱৰ্তী শুনানি নোহোৱালৈকে নতুন ৱাক্‌ফ সংশোধনী আইনৰ উল্লিখিত বিষয়সমূহত কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিয়ে। ইপিনে কেন্দ্ৰীয় চৰকাৰে বিচাৰপীঠৰ সন্মুখত জনোৱা আহ্বানত সন্মত হৈ উল্লিখিত বিষয়সমূহত বিশেষকৈ বিতৰ্কিত ৱাক্‌ফ আইনখনক লৈ উত্তৰ দিবলৈ ৭ দিনৰ সময়সীমা নিৰ্ধাৰণ কৰি দিয়ে। অহা ৫ মে'ত শুনানিৰ পূৰ্বেই ৭ দিনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে ৱাক্‌ফ আইনৰ সাংবিধানিক বৈধতাক লৈ জনোৱা প্ৰত্যাহ্বানৰ আবেদনৰ উত্তৰ দিব লাগিব বুলি বিচাৰপীঠে স্পষ্ট কৰি দিয়ে। ( নপৃষ্ঠাত চাওক)

# হায়দৰাবাদক ৪ উইকেটত পৰাস্ত মুম্বাইৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাংখেড়ে ষ্টেডিয়ামত বৃহস্পতিবাৰে অনুষ্ঠিত মেচখনত ঘৰুৱা দল মুম্বাই ইণ্ডিয়ানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৪ উইকেটত পৰাস্ত কৰি চলিত আইপিএলত বৰ্তি থকাৰ আশা সজীৱ কৰি তুলিছে। মেচখনত ছানৰাইজাৰ্ছে জয়ৰ বাবে বান্ধি দিয়া ১৬৩ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি মুম্বায়ে ১৮.১ অভাৰত ছটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে। মুম্বাইৰ হৈ উইল জেকছে সৰ্বাধিক ৩৬ ৰান কৰাৰ লগতে অ'পেনাৰ ৰিয়ান ৰিকেল্টনে ৩১, ৰোহিত শৰ্মাই ২৬, সূৰ্য কুমাৰ যাদৱে ১৫টা বলত ২৬, অধিনায়ক হাৰ্দিক পাণ্ডিয়াই ৯টা বলত ২১ ৰান কৰাৰ লগতে তিলক বাৰ্মাই ২১ ৰান কৰি অপৰাজিত হৈ থাকে। হায়দৰাবাদৰ হৈ পেট কামিনছে সৰ্বাধিক তিনিটা উইকেট লাভ কৰে। উল্লেখ্য যে মুম্বাই ইণ্ডিয়ানছৰ এয়া আছিল তৃতীয় জয়। দলটোৱে এতিয়ালৈকে সাতখন মেচ খেলি চাৰিখনত পৰাস্ত হৈছে। ইপিনে, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ এয়া আছিল পঞ্চম পৰাজয়। দলটোৱে সাতখন মেচৰ মাত্ৰ দুখনতহে জয়ৰ মুখ দেখিছে। ইয়াৰ পূৰ্বে ঘৰুৱা দল মুম্বাই ইণ্ডিয়ানছৰ আমন্ত্ৰণক্ৰমে বেটিং কৰিবলৈ আহি অ'পেনাৰ অভিষেক শৰ্মাৰ সৰ্বাধিক ৪০ ৰানৰ সহায়ত ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৬২ ৰান সংগ্ৰহ কৰে। ইনিংছ মুকলি কৰিবলৈ অহা অভিষেক শৰ্মা আৰু ট্ৰেভিছ হেডে ছানৰাইজাৰ্ছক আক্ৰমণাত্মক ( নপৃষ্ঠাত চাওক )

# ছুপাৰ অভাৰত ৰাজস্থানক পৰাস্ত দিল্লী কেপিটেলছৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইপিএলত বুধবাৰে নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত শ্বাসৰুদ্ধকাৰী মেচখনত দিল্লী কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে। ছুপাৰ অভাৰত ৰাজস্থানে ৫টা বলত ২ উইকেট হেৰুৱাই ১১ ৰানহে সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দিল্লীয়ে ৪টা বলত কোনো উইকেট নেহেৰুৱাকৈ জয়ৰ লক্ষ্যত উপনীত হয়। মেচখনত বিজয় সাব্যস্ত কৰি দিল্লীয়ে ৬খন মেচৰ পৰা ১০ পইণ্ট অৰ্জন কৰি পইণ্ট তালিকাৰ শীৰ্ষস্থানলৈ উন্নীত হয়। বিপৰীতে ৰাজস্থানৰ এয়া আছিল ক্ৰমাগত তৃতীয় পৰাজয়। দলটোৱে এতিয়ালৈকে ৭খন মেচ খেলি মাত্ৰ দুখনতহে জয়ৰ মুখ দেখিছে। এই মেচখনত দিল্লীয়ে জয়ৰ বাবে বান্ধি দিয়া ১৮৯ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অ'পেনাৰ যশস্বী জয়ছোৱালৰ ৩৭বলত ৫১ আৰু নীতিশ ৰাণাৰ ২৮ বলত ৫ৰ ৰানৰ সহায়ত ৰাজস্থানে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৮৮ ৰান কৰাত মেচখন টাই হয়। অধিনায়ক সঞ্জুৱে ৩১ ৰানত ৰিটায়াৰ্ড হাৰ্ট হয়। ধ্ৰুৱ জুৰেলে ২৬ আৰু হেটমায়াৰে অপৰাজিত ১৫ ৰান কৰে যদিও ৰিয়ান পৰাগে মাত্ৰ ৮ ৰানহে কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্বেও ট্ৰিষ্টান ষ্টাবছ আৰু অধিনায়ক অক্ষৰ পেটেলৰ আক্ৰমণাত্মক বেটিঙৰ সহায়ত দিল্লী কেপিটেলছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ৩৪ ৰানত জেক ফ্ৰেজাৰ মেকগাৰ্গৰ ৰূপত দিল্লীয়ে প্ৰথমটো উইকেট ( নপৃষ্ঠাত চাওক )

# ভাৰতীয় ভাৰোত্তোলন ফেডাৰেচনৰ এথলীট আয়োগৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত মীৰাবাঈ



ৰঙিলী বাৰ্ত্তাসেৱা-ভাৰতীয় ভাৰোত্তোলন ফেডাৰেচনৰ এথলীট আয়োগৰ অধ্যক্ষ হিচাপে টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজয়ী মীৰাবাঈ চানুক নিৰ্বাচন কৰা হৈছে। মীৰাবাঈ চানুৱে এক বিজ্ঞপ্তিত কয় যে মোক ভাৰতীয় ভাৰোত্তোলন ফেডাৰেচনৰ এথলীট আয়োগৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰাত ধন্যবাদ জ্ঞাপন কৰিছোঁ। সহযোগী ভাৰোত্তোলকসকলক নেতৃত্ব দিয়া আৰু শক্তিশালী কৰাৰ বাবে পোৱা সুযোগ মোৰ বাবে যথেষ্ট গৌৰৱৰ কথা। তেওঁ লগতে কয় যে ই এই পদবীৰ সৈতে আহিবলগীয়া দায়িত্বসমূহক গভীৰভাৱে ল'বলৈ প্ৰতিজ্ঞাবদ্ধ। আমি বাহ্যিক কাৰকৰ পৰা বিচলিত নোহোৱাকৈ খেলত গুৰুত্ব দিব পাৰোঁ। ৩০ বছৰীয়া মীৰাবাঈ চানু অলিম্পিকত পদক বিজয়ী ( নপৃষ্ঠাত চাওক )

# দেৱাল্ড ব্ৰেভিছক ক্ৰয় কৰিছে চেন্নায়ে




ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইপিএলৰ পৰৱৰ্তী মেচকেইখনৰ বাবে পাঁচ বাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে দক্ষিণ আফ্ৰিকাৰ বেটাৰ দেৱাল্ড ব্ৰেভিছক ক্ৰয় কৰিছে। আঘাতপ্ৰাপ্ত গুৰজপনীট সিঙৰ স্থানত ব্ৰেভিছক চিএছকেত অন্তৰ্ভুক্ত কৰা হয় বুলি ফ্ৰেনচাইজীটোৱে জানিবলৈ দিছে। ২০২২ আৰু ২০২৪ চনত মুম্বাই ইণ্ডিয়ানছক প্ৰতিনিধিত্ব কৰা ব্ৰেভিছে এতিয়ালৈকে ৮১খন টি-২০ত অংশগ্ৰহণ কৰি ১৭৮৭ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ব্ৰেভিছে ২০২৩ চনত দক্ষিণ আফ্ৰিকাৰ হৈ দুখন টি-২০ মেচত ভাগ লৈছিল। উল্লেখ্য যে যোৱা বছৰৰ নৱেম্বৰত হৈ যোৱা আইপিএলৰ খেলুৱৈৰ নিলামত ব্ৰেভিছক কোনো দলে ক্ৰয় কৰা নাছিল।

# টীম ইণ্ডিয়াৰ সহকাৰী প্ৰশিক্ষক অভিষেক নায়াৰক অপসাৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে টীম ইণ্ডিয়াৰ সহকাৰী প্ৰশিক্ষক অভিষেক নায়াৰক অপসাৰণ কৰিছে । ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীত ভাৰতীয় দলৰ দুৰ্বল প্ৰদৰ্শন আৰু ড্ৰেছিং ৰুমৰ তথ্য ফাদিল হোৱাৰ বাবে অভিষেক নায়াৰক অপসাৰণ কৰিছে। অৱশ্যে অভিষেক নায়াৰক অপসাৰণ কৰাৰ সন্দৰ্ভত ব'ৰ্ডৰ সচিব দেৱজিৎ শইকীয়াই কোনোধৰণৰ মন্তব্য আগবঢ়োৱাৰ পৰা বিৰত থাকে যদিও আগন্তুক দুই-এদিনত সকলো ছবি স্পষ্ট হৈ পৰিব বুলি তেওঁ মন্তব্য কৰে। ইফালে, ভাৰতীয় দলটোৰ ফিল্ডিং প্ৰশিক্ষক টি দিলীপ আৰু ফিটনেছ ট্ৰেইনাৰ শোহম দেশাইকো চাকৰিৰ পৰা অপসাৰণ কৰা বুলি জানিব ( নপৃষ্ঠাত চাওক )

# কলকাতাৰ বিৰুদ্ধে ল'স্ক'ৰিং মেচত জয়লাভ পঞ্জাবৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইপিএলৰ মঙলবাৰে নিশা অনুষ্ঠিত ল'স্ক'ৰিং মেচখনত পঞ্জাবে ডিফেণ্ডিং চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছক ১৬ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰিবলৈ আহি কলকাতাৰ বলাৰৰ সুনিয়ন্ত্ৰিত বলিঙৰ সন্মুখত বেটিং বিপৰ্যয় হৈ পঞ্জাব কিংছে ১৫.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১১১ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ মাত্ৰ পাঁচগৰাকী বেটাৰে দহকৰ ঘৰ স্পৰ্শ কৰে। অ'পেনাৰ প্ৰভছিমৰণ সিঙে সৰ্বাধিক ৩০ ৰান কৰাৰ লগতে আনগৰাকী অ'পেনাৰ প্ৰিয়াংশ আৰ্যই ২২, নেহাল বাধেৰাই ১০, শশাংক সিঙে ১৮ আৰু জেভিয়াৰ বাৰ্টলেটে আয়াৰে ০, ( নপৃষ্ঠাত চাওক )



সামাজিক জীৱ হিচাপে মানুহে কিছুমান ৰীতি নীতি আচাৰ ব্যৱহাৰ বিশ্বাস অবিশ্বাস ধৰ্ম অধৰ্ম উৎসৱ অনুষ্ঠান আদিৰ মাজেৰে জীৱন নিৰ্বাহ কৰে। নানা ধৰণৰ পৰম্পৰাগত লোকবিশ্বাসৰ আন্তঃ সম্পৰ্কৰ ফলতেই লোক উৎসৱ উদ্ভৱ হয়। ইয়াৰ পটভূমি বসন্ত ঋতুৰ ব'হাগ বিহু।

বসন্ত ঋতুত প্ৰকৃতিয়ে যেতিয়া সৌন্দৰ্য্যৰ আঁচল উৰুৱাইছিল চৌপাশে

# বসন্ত



**ৰাজলক্ষ্মী বৰঠাকুৰ, দেৰগাঁও**

বসন্তৰ বা লাগি
গছৰ ডালত
কপৌ পাহীয়ে
মিচিকিয়াই হাঁহিলে।
তাকে দেখি বিহুৱা
ডেকাৰ মন উলাহেৰে ভৰি পৰিল
কপৌ পাহী চিঙি আনি
মৰমৰ নাচনীৰ
কলডিলিয়া খোপাত ।
মৰমেৰে পিন্ধাই দি
চেনেহি নাচনীৰ পৰা
মৰমৰ দীঘে দি
চেনেহৰ বানীৰে বোৱা
বিহুৱান খনি লৈ
দুয়ো একেলগে আঁহতৰ তলত বিহু মাৰিবলৈ যাব।

অণুগল্প

# বিশ্বাসৰ অপমৃত্যু



**প্ৰাণ প্ৰতিমা বড়া, গুৱাহাটী**

ফাগুনৰ পছোৱাজাকে হৃদয়ৰ মণিকোঠাত আঘাত সানিছিল। প্ৰায় দহ বছৰৰ আগতে অপ্ৰত্যাশিত এটি আশাৰ ৰেঙণিয়ে হৃদয়ৰ ৰংগালয়ত ভুমুকি মাৰিছিল অতি সংগোপনে। মোৰ চৌপাশৰ পৃথিৱীখন ৰঙীন হৈ পৰিছিল। সেই সন্ধিয়াপৰত ফাগুনৰ পছোৱাজাকৰ দৰেই মনৰ ভিতৰত ক্ষোভেৰে ভৰি পৰিছিল। কিয়নো এটি "বিশ্বাসৰ অপমৃত্যু" ঘটিছিল ।

**বুলমণি বৰি, লখিমপুৰ**

# ব'হাগৰ বুকুতেই আছে অসমীয়া জাতিটোৰ মহত্ব

চিত্ৰ বিচিত্ৰ ফুলৰ সমাহাৰত বতাহত বিয়পি পৰা ফুলৰ মিশ্ৰিত সুবাসৰ সেই নান্দনিক পৰিৱেশৰ লগত একাত্ম হৈ অতীজতে ডেকা গাভৰু সকলে গছৰ তলত বিহু নাচিছিল। জনবিশ্বাস আছিল যে পদ সঞ্চালন কৰি কৰি বিহু নাচিলে পৃথিৱী উত্তেজিত হব আৰু উৰ্বৰা শক্তি বৃদ্ধি পাব। পৃথিৱী সৰ্গভা হৈ শস্য শ্যামলাৰে ভৰি পৰিব।

ডেকা সকলৰ বিহু গাভৰু সকলে দেখা নাছিল আৰু গাভৰু সকলৰ বিহু ডেকাসকলে দেখা নাছিল। বতাহত গছজোপা যেনেকৈ হালিছিল নাচনিসকলে ঠিক তেনেদৰে হালি জালি নাচিছিল। বতাহত গছৰ পাত যেনেদৰে লৰিছিল সেই গছৰ পাতৰ পৰাই আয়ত্ব কৰিছিল নাচৰ ভংগীমা। ডেকাসকলে মেঘৰ গৰ্জনক বন্দী কৰিছিল ঢোলৰ চাপৰত।

কালক্ৰমত সেই গছতলৰ বিহুৱে আহি মুকলি পথাৰ পাইছিলহি অৰ্থাৎ ডেকা গাভৰু সকলে কোনো আঁৰ বেৰ নোহোৱাকৈ একেলগে বিহু নাচিছিল। পথাৰৰ সেই মুকলি বিহুৱেই আহোম সকলৰ পৃষ্ঠাপোষকতাত ৰাজ দৰবাৰলৈ আহিছিল আৰু আহোম ৰজা ৰুদ্ৰসিংহৰ দিনত এই বিহুক সৰ্বজনীন ৰূপ দি ৰাজকীয় সন্মান প্ৰদান কৰিছিল আৰু সেই ৰাজদৰবাৰৰ পৰাই খুওৱ আধ্যাত্মিক পৰম্পৰাৰে আগমন ঘটিছিল চোতাললৈ।

প্ৰথমে গঞা ৰাইজে সমূহীয়া প্ৰাৰ্থনা গৃহ নামঘৰ নাইবা গাওঁখনৰ মুখিয়াল ঘৰত হুঁচৰি যুৰিছিল। তাৰ পাচত গাওঁখনৰ এটা মূৰৰ পৰা আন এটা মূৰলৈ বিহু মাৰিছিল। একেখন চোতালতে যদি দুজন ভাতৃ পৃথকে পৃথকে আছিল তেতিয়া হ'লে হুঁচৰি পদ এনেদৰে যুৰিছিল

হুঁচৰি এ হাওঁ
দুয়োঘৰৰ মাজতে হুঁচৰি গাওঁ

সেইমতে দুয়ো ভাতৃৰ সপৰিয়ালে একেলগে সেৱা জনাই হুঁচৰিযোৱাৰ পৰা আশীৰ্বাদ লৈছিল আৰু তাতেই প্ৰমাণ পোৱা গৈছিল যে জীৱন আৰু জীৱিকাৰ তাড়নাত ভাতৰ চৰু বেলেগ হ'লেও মনবোৰ কিন্তু একেডাল এনাজৰীৰে বান্ধ খাই আছিল।

আকৌ দদাই ভতিজাকৰ ঘৰ যদি ওচৰা ওচৰিকৈ আছিল তেতিয়াহলে প্ৰথমতে দদায়েকৰ ঘৰত হুঁচৰি যুৰি বিহু মাৰিছিল। মুঠতে এই বিহুয়ে বহন কৰিছিল নৈতিক পৰম্পৰা।

কালক্ৰমত এই চোতালৰ বিহুৱে ৰূপ পাইছিল মঞ্চৰ। ১৯৫২ চনৰ গুৱাহাটী লতাশিল খেলপথাৰত ব্যাপক আয়োজনেৰে গুৱাহাটী বিহু সন্মিলনী পতা হৈছিল আৰু তাতেই সৃষ্টি হৈছিল বিভিন্ন জাতি জনগোষ্ঠীৰ সমন্বয়ৰ। সকলো জাতি জনগোষ্ঠীয়ে নিজ নিজ সাজ পোচাক পৰিধান কৰি নিজ নিজ সংস্কৃতি প্ৰদৰ্শন কৰিছিল আৰু তেতিয়াৰ পৰাই এই মঞ্চ বিহু কিন্তু থমকি ৰোৱা নাই। বোৱতী নদীৰ সোঁতে সোঁতে বৈ গ'ল এই সমন্বয়ৰ যাত্ৰা।

কৃষক সমাজে যিহেতু শস্যৰ শ্ৰী বৃদ্ধিৰ কামনা কৰি বিহুক উৎসৱ হিচাপে পালন কৰিছিল। যিহেতু ব'হাগৰ প্ৰাণ চঞ্চলা প্ৰকৃতিৰ নয়নাভিৰাম দৃশ্যত পৰিস্ফুত হয় অফুৰন্ত সৃষ্টিৰ সমল। সেয়ে ব'হাগ বিহুতেই কৃষকে কৃষিকাৰ্যৰ বাবে নিজকে সাজু কৰি তোলে। যিহেতু কৃষিৰ সমৃদ্ধিৰ সৈতে জড়িত হৈ আছে প্ৰকৃতিৰ বিভিন্ন উপাদান। ব'হাগেই প্ৰাণভৰি

( ছয় পৃষ্ঠাত চাওক)

# গামোচাখন আমাৰ অসমীয়াৰ স্বাভিমানৰ প্ৰতীক



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

সাজ পোচাকেও এটা জাতিৰ ঐতিহ্য বহন কৰে। জাতীয় সাজ পোচাক যোৱেও আমাক বিশ্ব দৰবাৰত পৰিচয় কৰাত সহায় কৰে।

হয় আমাৰ অসমীয়াৰ গামোচাখন মান -সন্মান স্বাভীমানৰ প্ৰতীক। বিহু, বিয়া বাৰু পূজা পাৰ্বন সকলোতে ব্যৱহাৰ হয়। আনকি অতিথি আহিলেও গামোচাখনেৰে আদৰণি জনাওঁ। গামোচাখনে আমাক অসমীয়া বুলি পৰিচয় কৰাই দিছে বিশ্ব দৰবাৰত। গামোচাখন আমাৰ অসমীয়াৰ হৃদয়ৰ এফাল বুলি ক'লেও ভুল নহয়। মোৰ লগত ঘটা ঘটনা এটিৰ কিছু অংশ দাঙি ধৰিলোঁ।

মোৰ ডাঙৰ ল'ৰাটো জন্মতে খুব কান্দিছিল গুৱাহাটীত বিভিন্ন ডাক্তৰৰ পৰামৰ্শ লৈছিলোঁ। ডাক্তৰে হেণ্ডিকেপ বুলি ক'লে, এনে সন্তানৰ বিশেষ ভাৱে পৰিচৰ্যা কৰিব লাগিব। শুনি আমি দুয়ো পিতৃ- মাতৃৰ হৃদয় কপি গৈছিল, এবছৰ হওঁতে তাৰ চিকিৎসাৰ বাবে চেন্নাইত গৈছিলো। এমাহ চিকিৎসাৰ কাৰণে চেন্নাইত আছিলোঁ, জুলাই মাহত খুব গৰম চিকিৎসালয়ত কেচুৱাটোক গামোছাখনৰে মুচি কাছি দিছিলো। গামোচাখন দেখি এজন অসমীয়া ল'ৰাই কাষত আহি সুধিছিল, বাইদেউ আপুনি অসমৰ পৰা আহিছে। ল'ৰাটো চেন্নাইত ইঞ্জিনীয়াৰিং পঢ়ি আছিল, সিদিনা খুড়াকক চাবলৈ গৈছিল। আমাৰ লগত চিনাকী হৈ আমি থকা কেইদিন প্ৰায়ে আমাৰ খবৰ লৈছিল, বাবাক এবাৰ হলেও কোলাই লৈছিল, নাপাহৰো ভাইটিতোক। তাক ঈশ্বৰে মঙ্গল কৰক ।

আমাৰ অসমীয়াৰ মান -স্বাভিমান গৌৰৱৰ গামোচাখনেই আমাক পৰিচয় কৰাই দিছিল ভাইটিজনৰ সৈতে।

যোৰাখণ্ডৰ পৰা...

# অসমীয়াৰ স্বভিমানৰ প্ৰতীক স্বৰূপ গামোচা খন



সেয়েহে হয়তো অসমৰ কলা- কৃষ্টিৰ মহানায়ক ড° ভূপেন হাজৰিকাই বিহুৰ মাজেৰে এই চেতনাক এইদৰে প্ৰকাশ কৰিছে -

বিহুটি বছৰি আহিবা
অসমী আইক জগাবা
মৰমৰ দীঘ দি
হেঁপাহৰ আঁচুৰে
একতাৰ গামোচা বোৱাবা

অসমীয়াৰ পৰিচয় তথা গৌৰৱ গামোচা খনৰ বিষয়ে বহলাই কোৱা প্ৰয়োজন নাই। স্বয়ংসম্পূৰ্ণ মৰ্যাদাৰ গৰিমাৰে এই বস্ত্ৰখনে জাতীয় জীৱনক সদায় সমৃদ্ধ কৰি আহিছে। ১৩ ডিচেম্বৰ ২০২২ ইং তাৰিখে আমাৰ গামোচাই ভৌগোলিক সূচক (জি.আই.টেগ) লাভ কৰিছে। ভৌগোলিক সূচকে সামগ্ৰীৰ আইনী সুৰক্ষা দিয়ে আৰু অকতৃত্বাধীন ব্যৱহাৰ ৰোধ কৰে। গ্ৰাহকক আকাংক্ষিত বৈশিষ্ট্যৰ মান সম্পন্ন সামগ্ৰী লাভ কৰাত সহায় কৰে আৰু উৎপাদক সকলৰ চাহিদা বৃদ্ধি কৰি অৰ্থনৈতিক সমৃদ্ধিৰ প্ৰসাৰ ঘটায়।

কিন্তু সকলো ক্ষেত্ৰতে যেন বিতৰ্ক নোহোৱাকৈ নাথাকে। বিভিন্ন সময়ত গামোচাৰ অবিবেচক ব্যৱহাৰক লৈ বিভিন্ন বিতৰ্কৰ সৃষ্টি হোৱা আমি দেখি আহিছোঁ। কেতিয়াবা যদি কোনো বলিউদ অভিনেত্ৰীৰ ছবি অংকন কৰা হৈছে, কেতিয়াবা আকৌ গামোচা পাৰি তাত যোগাভ্যাস কৰা দেখা গৈছে - কোনোবাই গামোচা খনকে শোৱাপাটি যদি কৰিছে, কাৰোবাৰ বাবে গামোচাখন হৈ পৰিছে তেনেই সাধাৰণ আহিলা স্বৰূপ। অত্যাধুনিকতাত পৰি আকৌ কিছুমানে গামোচা খনৰ অপব্যৱহাৰ কৰিছে। গামোচা কাটি ব্লাউজ বা চোলা চিলাইছে। এই কথাটো অতি অশোভনীয় আৰু অমাৰ্জিত কথা যেন ভাব হয়। বৰ্তমান গামোচা সমন্বয়ৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰাও দেখা যায়। ২০২৩ চনত বাংলা সাহিত্যসভা, অসম, অধিবেশনৰ এক অনুষ্ঠানত অতিথি সকলক সন্মান জনাবলৈ অসমীয়া আৰু বাংলা গামোচা আধা কাটি চিলাই একপ্ৰকাৰ হাইব্ৰিদ গামোচা প্ৰস্তুত কৰা হৈছিল। সেই সময়ত সম্ভৱত অসমত সৰ্বাতোকৈ অধিক বিতৰ্কিত হোৱা বিষয় সেইটোৱেই আছিল। এতিয়া কথা হ'ল হাজাৰ হাজাৰ বছৰ ধৰি আমাৰ জাতীয় ঐতিহ্য স্বৰূপ গামোচাখন কোনোবাই কটা চিঙা কৰাটো সমৰ্থন যোগ্য হব পাৰে নে ? সমন্বয় শব্দটোৱে জাতি গঠনৰ বেলিকা সংশ্লেষণ বুজাব পাৰে, কিন্তু ই সংমিশ্ৰণ নুবুজায়। সমন্বয় কোনোবাই জোৰজবৰদস্তি কৰা কাম নহয়। জাতিগঠনৰ ক্ষেত্ৰত ই পাৰস্পৰিক বুজা পৰা, আদান প্ৰদানৰ স্বতঃস্ফূৰ্ততাৰে সংঘটিত এক দীৰ্ঘম্যাদী প্ৰক্ৰিয়া।

এই কথা আমি সকলোৱে জানো যে অসমীয়া সকল অতি আৱেগিক জাতি। অসমীয়াৰ গামোচা কেন্দ্ৰিক আৱেগো অতি প্ৰখৰ। বহিঃ ৰাজ্যত বিদেশী মানুহে ডিঙিত গামোচাখন লোৱা দেখিলে অসমীয়াৰ জাতীয় সত্বাৰ গৌৰৱ উৎফুল্লিত হৈ উঠে। তেনেকৈয়ে জাতীয় সত্বাৰ ওপৰত কাৰোবাৰ অনৰ্থক আক্ৰমণ বা অসন্মানে অসমীয়াৰ তেজ দুগুণে উত্তেজিত কৰি তোলে। কিন্তু এই কথা আমি বুজি পাবই লাগিব যে কোনো চৰকাৰৰ নেতাৰ ডিঙিত গামোচা দেখি আবেগ বিহ্বল হৈ নপৰি থলুৱা সামগ্ৰীবোৰ জীয়াই ৰাখিবলৈ আমি দাবী কৰা উচিত। আমাৰ শিপিনী সকলক বা গামোচা প্ৰস্তুত কৰা গোট সমূহক যদি ৰেহাই মূল্যত উন্নত মানৰ কাপোৰ বোৱা যন্ত্ৰৰ যোগান ধৰে, তেতিয়া আমাৰ গামোচাবোৰো বজাৰত কম মূল্যত পোৱা যাব। অসমীয়া সকলো গামোচা কিনাৰ ক্ষেত্ৰত কিন্তু কিছু সচেতন হোৱা উচিত। আমাৰ নিজৰ এখন সুন্দৰ বস্ত্ৰ থাকোতে আনৰ বস্ত্ৰ ব্যৱহাৰ কৰা কথাটো আনৰ পিঠাৰে বিহু পতাৰ লেখিয়া কথা। আমি গামোচাৰ ব্যৱহাৰত গুৰুত্ব দিয়া উচিত। গামোচাৰ অপব্যৱহাৰে আমাৰ সমাজলৈ ভাবুকি কঢ়িয়াই আনিব আৰু আমাৰ সাংস্কৃতিক পৰিবেশ বিনষ্ট কৰিব। এই বস্ত্ৰশিল্প জীয়াই ৰাখিবলৈ হ'লে চৰকাৰ, জনগন সকলোৰে সহযোগিতাৰ প্ৰয়োজন, নহলে আমাৰ এই সাতামপুৰুষীয়া সম্পদ বিলুপ্ত হবলৈ আৰু বেছি দিন নালাগিব।

**কবিতা শৰ্মা,নতুন দিল্লী**

যোৰাখণ্ডৰ পৰা...

# বিহংগম দৃষ্টিত বিহু



**অলকা বুজৰবৰুৱা, টিহু টাউন, নলবাৰী**

বিহুগীতৰ লগত ব্যৱহৃত পৰম্পৰাগত বাদ্যযন্ত্ৰ সমূহ হ'ল ঢোল, তাল, পেঁপা, তাল, গগণা, টকা, বাঁহী, সুতুলী আদি। ব'হাগ বিহুৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকে কপৌ ফুল আৰু জেতুকাৰ নাম। নাচনীৰ খোপাত কপৌফুল আৰু হাতত জেতুকাৰ বোলে ব'হাগক কৰি তোলে অধিক মনোমোহা। বিশিষ্ট কণ্ঠশিল্পী অপূৰ্ব বেজবৰুৱা দেৱৰ গীতৰ কথাত

“কপৌ পাহি তোৰে খোপাত
ইমান ধুনীয়া দেখি
জেতুকাৰ বোল তোৰে হাতত
ইমান ধুনীয়া দেখি”

বিহুগীততো আছে-

“পাহাৰ বগাই বগাই জানৈ
কপৌফুল মই আনিছো,
খোপাতে ঐ গুজি দিম বুলি”।

বৰ্তমান বিশ্বায়নৰ ব্যাপক প্ৰভাৱত বিহু এক পণ্য সামগ্ৰীৰ দৰে হৈ পৰিছে। লোক উৎসৱৰ সলনি ই হৈ পৰিছে সাংস্কৃতিক অনুষ্ঠান, এচামৰ টকা ঘটাৰ মাধ্যম। ৰূপান্তৰৰ বুকুতেই জী উঠে নব্য সংস্কৃতিৰ ভেঁটি। সংস্কৃতি অবিহনে কোনো জাতিয়ে বিকাশ লাভ কৰিব নোৱাৰে। ব'হাগ আমাৰ প্ৰাণ, আমাৰ জাতীয় জীৱনৰ মান। সেয়েহে বিহুক আমাৰ ভোগবাদৰ পৃথিৱীত হেৰাই যাবলৈ নিদি এসময়ৰ বিহুৰ যি স্বতঃস্ফূৰ্ত প্ৰকাশ, পৰিশীলিত ব্যঞ্জনা, যি উদ্যম তাক স্তিমিত হ'বলৈ নিদি পুণৰ জাগ্ৰত কৰি অসমীয়া জাতিক এক সমন্বয়ৰ মহাজাতি ৰূপে গঢ়ি তোলাৰ প্ৰয়াস কৰিব লাগিব। তেতিয়াহে অসমীয়া জাতি আৰু বিহু ভাৰত মহাসভাত জিলিকি থাকিব। অকল বাতৰি-কাকত, আলোচনী আদিত বিহুৰ ঐতিহ্যৰ কথা লিখাৰ সলনি বাস্তৱ ক্ষেত্ৰতো ইয়াৰ ঐতিহ্য প্ৰৱাহিত কৰি ৰাখিব লাগিব। নহ'লে এদিন কালৰ বুকুত হেৰাই যাব আমাৰ হিয়াৰ আমঠু বিহু। এই ক্ষেত্ৰত গণমাধ্যম সমূহৰ ভূমিকাও উল্লেখযোগ্য। ৰঙালী ভোগালী একাকাৰ কৰাৰ আমাৰ বৰ্তমানৰ যি মানসিকতা এইবোৰো বাদ দিয়াৰ সময় হ'ল। এচাম গণমাধ্যমে ৰঙালী আৰু ভোগালীক একাকাৰ কৰি প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। ৰঙালীক ৰঙালী কৰিয়েই ৰাখোচোন,ভোগালীকো সুকীয়া কৈ...। শেষত এফাঁকি বিহুগীতৰ কথাৰে-

“চ'তে গৈয়ে গৈয়ে ব'হাগী পালেহি
ফুলিলে ভেবেলী লতা
কৈ নো থাকো মানে ওৰকে নপৰে
আমাৰ প্ৰাণ ব'হাগৰ কথা।”

# ব'হাগৰ বুকুতেই আছে

উপচাই দিয়ে মানৱজাতিলৈ অলেখ বৰদান। কৃষি যিহেতু বতৰৰ ওপৰত নিৰ্ভৰ কৰে বসন্তৰ প্ৰথমজাক বৰষুণত ধৰিত্ৰী জীপাল হয় আৰু কৃষকৰ বাবে আহি পৰে সৃষ্টিৰ এক নতুন বাৰ্তা।

জনবিশ্বাস আছে যে বিহু গীত আৰু নৃত্যত ব্যৱহৃত হোৱা ঢোল পেঁপা গগণা টকা আদিৰ শব্দৰ জৰিয়তে পৃথিৱীৰ বুকুলৈ গাজনি ধুমুহা বৰষুণ নামি আহে। সেয়ে বিহু গীত আৰু নৃত্যত ব্যৱহাৰ হোৱা প্ৰতিটো বাদ্যই বহন কৰি আছে ব'হাগৰ ন বৰষুণৰ আভ্যন্তৰীণ অৰ্থ।

কৃষি উৎসৱ যিহেতু সমৃদ্ধিৰ কামনা অৰ্থে সেয়ে বিহু গীত নৃত্যত প্ৰতিফলিত হয় প্ৰজননৰ কামনা। প্ৰজননৰ কামনা প্ৰতিফলিত হ'বলৈ অৱধাৰিতভাৱে বিহু গীত নৃত্যত ডেকা গাভৰুৰ অংশগ্ৰহণৰ কথা আহি পৰে। আহি পৰে ৰংমন ৰাংঢালিৰ উত্তেজিত মনৰ কামনা বাসনা। ব'হাগৰ পৰশত উন্মাদ হোৱা প্ৰকৃতিয়ে মনৰ মৌকোঁহতো উপচাই দিয়ে জীৱন উৰ্বৰ কৰা অদৃশ্য সন্মোহিনী শক্তি। সৃষ্টিৰ পাতনিৰে আৰম্ভ হোৱা ব'হাগৰ বিহুতলি প্ৰাণৱন্ত কৰি ৰংমন ৰাংঢালিয়ে যুগ্ম জীৱনৰ পাতনি মেলে। এই ৰংমন ৰাংঢালি যুগৰ প্ৰতীক। নিজৰ সভ্যতা আৰু সংস্কৃতিক লৈ আগ্ৰহী হোৱা নৱ প্ৰজন্মৰ প্ৰতীক। যিহেতু বিহুৰ আধাৰেই হ'ল কৰ্ম সংস্কৃতি। শ্ৰমজীৱি কৃষিজীৱিৰ উৎসৱ। যি শ্ৰমে পথাৰত শস্যৰ নদন বদন অৱস্থাৰ সৃষ্টি কৰে। হেৰাই নাযাবক বিশ্বায়নৰ যুগত ৰংমন ৰাংঢালিৰ বুকুৰ পৰা গাঁৱৰ কেঁচামাটিৰ নিৰ্য্যাস। বোকাপানীৰ চেকা পৰিভ্ৰমী দেহৰ ঘামৰ গোন্ধ। পৰিৱৰ্তন ধামখুমিয়াত যাতে ৰংমন ৰাংঢালি কেৱল হিতাধিকাৰীৰ মাজলৈ পৰ্য্যৱেশিত নহয়। নহলে লোক সংস্কৃতিক অক্ষুণ্ণ ৰাখি সংস্কৃতি টনকিয়াল কৰা ব'হাগ বিহুৰ যি ধৰ্ম সেই ধৰ্ম নাশ হ'বলৈ হ'লে জাতিৰ অস্তিত্ব নাইকীয়া হ'ব।

# গৌৰৱৰ চানেকিত অসমৰ ৰঙালী বিহুটি



মঞ্জু কাকতি, গুৱালকুছি

সৃষ্টিৰ বন্যাৰ সাগৰ মন্থন কৰি আমি অনুভৱ কৰো দিন বাগৰি ৰাতি, মাহ বাগৰি বছৰ আহে ঠিক তেনেকৈ প্ৰকৃতিৰ বুকুত ঋতু বাগৰি ঋতু আহে আৰু দি থৈ যায় প্ৰতিটো ঋতুৱে মাদকতা।

‘সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে, সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে’ চৌদিশে সৌন্দৰ্যৰ পোহাৰ মেলি ভৰ যৌৱনা, চঞ্চলা আৰু মনোমোহা হৈ প্ৰকৃতিয়ে নিয়মানুসৰি ঋতুৰাজ বসন্তত আৱৰ্ত্তিত হৈ আহে আমাৰ মাজলৈ।

বসন্ত আহে মানে ব’হাগ আহে। ব’হাগ আহে আৰু লগতে আনে ৰং-ৰূপ- সৌন্দৰ্যৰ সমাহাৰ। কুলি-কেতেকীৰ হিয়া জুৰোৱা বিননিত, গছ -বিৰিখৰ সেউজ কুঁহিপাতত নিমজ কোমলতাত, নাহৰ, তগৰ, পলাশ, মদাৰ আৰু কেতেকী ইত্যাদি নানা ফুলৰ দৃষ্টিনন্দন সমাহাৰত এনেদৰেই প্ৰকৃতিৰ বুকুত গাভৰু হৈ ব’হাগ আহে আমাৰ মাজলৈ।

ব’হাগ বিহু মূলতঃ বসন্ত উৎসৱ, কৃষিকেন্দ্ৰীক উৎসৱ। কৃষিৰ লগত এই বিহুটি ওতঃপ্ৰোত ভাৱে জড়িত। পথাৰত সোণোৱালী শস্যৰ সম্ভৱনাৰ বাবে এই বিহুটিত খেতিয়কসকলে গোহালীৰ গৰুক প্ৰথম দিনাই মাহ- হালধিৰে ধুৱাই, মাখিয়তী, দীঘলতীৰ পাতেৰে মহ-দাহ খেদাই, ডিঙিত নতুন পঘা দি গো -সেৱা কৰে সেয়ে এনে তাৎপৰ্যপূৰ্ণ দিনটোক গৰু বিহু বোলে।

চ’ত, ব’হাগতেই শিপিনীয়ে মৰমৰ দীঘেৰে আৰু চেনেহৰ বাণিৰে বোৱা আদৰৰ ফুলাম গামোচাখনিৰে এই বিহুটিত জ্যেষ্ঠজনলৈ আগবঢ়াই সেৱা কৰে আৰু কনিষ্ঠজনলৈ লগতে প্ৰেমিক- প্ৰেমিকালৈ মৰমৰ উপহাৰ যাচে। এই গামোচাখনি প্ৰতিজন অসমীয়াৰ বাবে মৰম, সন্মান আৰু শ্ৰদ্ধাৰ প্ৰতীক। বিহুৰ পৰম্পৰা অনুযায়ী এনেদৰে সাত বিহু পালন কৰে অসমীয়া জাতিয়ে।

জাতিকৃত প্ৰকৃতিৰ এই বিনন্দীয়া পৰিৱেশতে অসমীয়া চহা ডেকা-গাভৰুৱে হৃদয়ৰ নিভৃত কক্ষৰ পৰা স্বতঃস্ফুৰ্ত ভাৱে নিগৰিত যৌৱনৰ গীতেৰে ব’হাগীক, অতিকৈ চেনেহৰ ৰঙালী বিহুটিক আদৰে। বিহুগীতবোৰত ফুটি উঠে জীৱনৰ হৰ্ষ-বিষাদ, বিৰহ-বেদনা, আশা- নিৰাশা, ইত্যাদি ভাৱনাবোৰ। এই সুৰীয়া বিহুগীতবোৰৰ মাজতে অসমীয়া জাতীয় জীৱনৰ স্বকীয় বৈশিষ্ট্যৰ এক অনুপম নান্দনিক প্ৰকাশ ঘটে।

ব’হাগ বিহুত প্ৰচলিত বিহুনৃত্য আৰু হুঁচৰি অসমীয়াৰ থলুৱা লোকনৃত্য আৰু সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ। এই লোকনৃত্যত লোকবাদ্যৰ উপৰিও মুগাৰ সাজ পৰিহিতা নাচনী আৰু ঢুলীয়াৰ আৰ্কষণ আকৰ্ষণীয় হৈ পৰে। লোকবাদ্যৰ ভিতৰত ঢোল, পেঁপা, গগনা, সুতুলি, বাহী, বাঁহৰ টকা, বীণ আৰু তাল। এইবিলাক লোকবাদ্যৰ সমাহাৰেৰে বিহুৱা-বিহুৱতীয়ে বিহুগীতেৰে বিহুনৃত্য, হুচৰি পৰিৱেশন কৰে। আকৰ্ষণীয় এই নৃত্য প্ৰতিজন অসমীয়াৰ দেহৰ শিৰাই শিৰাই প্ৰৱাহিত হোৱাৰ লগতে সুদূৰ দীগন্তত্তো এক সুকীয়া আসন লৱলৈ সক্ষম হৈছে। আনকি ইমানতে ক্ষান্ত নাথাকি অসমীয়াৰ স্বভিমান আৰু গৌৰৱৰ প্ৰতীক গামোচাখনিত লোকবাদ্যৰ আহিলা সমূহ যেনে- ঢোল, পেঁপা, গগনা ৰ বুটা বাচে লগতে সংস্কৃতিৰ বাহক জাপিৰো। তাৰোপৰি বৰ্তমান পাট মূগাৰ মেখেলা-চাদৰতো বিহুৱা -বিহুৱতীৰ চানেকি তুলি ধৰা দেখা গৈছে। কাপোৰখন দেখিলেই মনত প্ৰতিফলিত হয় বিহুগীতৰ শব্দৰ সুমুধুৰ ধ্বনি আৰু নৃত্যৰ লয় লাস আৰু লোকবাদ্যৰ চেৰে চেৰে সুৰৰ প্ৰতিধ্বনি। সঁচাকৈয়ে শলাগিবলগীয়া আৰু গৌৰৱ কৰিবলগীয়া অসমীয়া শিপিনীৰ এনে সুকুমাৰ শিল্পকলা। এই শিল্পকলাই বিদেশত এক সুকীয়া স্থান লৈছে। তেখেতসকলেও এনে চানেকিক আদৰ কৰে সন্মান কৰে আৰু আগ্ৰহিত হয় অসমৰ ৰঙালী বিহুটিৰ বিষয়ে সবিশেষ জানিবলৈ। বহু পৰ্যটক অসমলৈ আহে এই বিহুটিৰ গৱেষণা কৰিবলৈ শেষত তেওঁলোকেও ঢোলৰ চেৰত নাচিবলৈ আপ্ৰাণ চেষ্টা কৰে। আমি গৌৰান্বিত যে কিছু প্ৰবাসী অসমীয়াই বিদেশত স্বকীয় লোক-সংস্কৃতি ব’হাগী উৎসৱ তথা ৰঙালী বিহু উদযাপন কৰি জাতীয় সত্বা ৰক্ষা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ই নিশ্চিতভাৱে আমাৰ বাবে শুভ লক্ষণ। অনাগত দিনৰ বাবে জাতিৰ সৰ্বদা মঙ্গল। বিহু এতিয়া অসমৰ বৃত্তৰ ভিতৰতে থকা নাই ইয়াৰ পৰিধি অসীমৰ পৰা সসীমলৈ বিয়পিছে। গতিকে গৌৰৱৰ চানেকিত অসমৰ ৰঙালী বিহুটিক চিৰ নমস্য।

# কুলিৰ মাতত ব’হাগ আহে

ইভা গন্ধীয়া ফুকন



কুলিৰ মাতত ব’হাগ আহে
ঢোলৰ মাতত আহে বিহু
তাঁতশালত দোপতি নাচে
গৰকাত নাচে ভৰি
তোৰে কথা ভাৱি ঘনে ঘনে মাকো সৰে
ঢোল পেঁপাৰ মাতে নচোৱাই চিত
বহাগ বিহু অতি আদৰৰ
অতি চেনেহৰ বিহুৱান
বহাগ আহে আৰু যায়
তোৰহে বাতৰি পাবলৈ নাই
চেনেহৰ বিহুৱান জাপতে থাকি যায়
ব’হাগে সজায় ধৰণী
পাতে ফুলে জাতিষ্কাৰ
সুগোন্ধত আমোলমোল চৌদিশ
কুলি কেতেকীৰ মাতত
দুভাগ ৰাতিও মন হয় পুলকিত
জেংবিহু, হুঁচৰি, বিহুৱা -বিহুৱতীৰে
মঞ্চ হয় শুৱনি
যদিও হয় কৃষি ভিত্তিক উৎসৱ ৰঙালী
কৃষকে পথাৰখনিলৈ দিয়ে পিঠি
বাটে পোৱালি দিয়া পথাখনি
ব’হাগৰ ন পানীৰে ধুৱাই
নাঙল যুঁৱলিৰে গৰুহাল আহিব বুলি
গোহালিৰ গৰুহাল বেচিলে টকাৰ লোভত
নাঙল যুঁৱলিও থলে সামৰি
চৰকাৰৰ চাওলেৰে চলিছে পৰিয়ালটি
খেতিয়কৰ নাই খদমদমনি
সঁচ কঠিয়া লোৱা ধান টোমোৰা আদিবোৰ
ধোঁৱা চাঙত উঠিল
সময়বোৰ সলনি হৈছে
শিপা এৰি ডাল পাতত ধৰিছে
আধুনিকতাৰ প্ৰকোপত
অতীত সুভাস গৈছে আঁতৰি
বিহু নামবোৰ বিহু গীত হৈ দুপৰ নিশা বাজিছে।

# জনপ্ৰিয়তাঃ এক সামাজিক ব্যাধি



সংযুক্তা দত্ত, মিছামৰা

মানুহেই মানুহক জনপ্ৰিয় কৰি তোলে। ‘জনপ্ৰিয়’ শব্দৰ সাধাৰণ অৰ্থ হ’ল- লোকপ্ৰিয়, জনসাধাৰণৰ ভাল লগা। জনতাৰ প্ৰিয় যি, তেওঁ জনপ্ৰিয়। জনপ্ৰিয় হ’বৰ বাবে মানুহৰ এনে গুণ বা প্ৰতিভা থাকিব লাগিব যি আনৰ নাই অথবা যি প্ৰতিভা আনৰ পৰা অলপ পৃথক। এজন ব্যক্তি জনপ্ৰিয় হ’বৰ বাবে তেওঁৰ বিশেষ প্ৰতিভা থাকে আৰু লগতে জনসাধাৰণৰ সহযোগ থাকে। তেনেস্থলতহে এজন ব্যক্তি জনপ্ৰিয়তাৰ শাৰীলৈ উন্নীত হ’ব পাৰে। কিন্তু বৰ্তমান সময়ত জনপ্ৰিয়তা সামাজিক ব্যাধিস্বৰূপ হৈ পৰিছে। জনপ্ৰিয়তা অৰ্জন দুই ধৰণে কৰিব পাৰি। ইতিবাচকভাৱে নাইবা নেতিবাচকভাৱে। ইতিবাচকভাৱে হোৱা জনপ্ৰিয়তাক জনসাধাৰণে আঁকোৱালি লয়। ইয়াৰ বিপৰীতে নেতিবাচকভাৱে হোৱা জনপ্ৰিয়তা বেছি দিনৰ বাবে সন্মানৰ পাত্ৰ হৈ নাথাকে। কিন্তু বৰ্তমান সময়ত সমাজত জনপ্ৰিয় হ’বলৈ এচাম লোকে নেতিবাচক দিশটোকহে প্ৰাধান্য দিয়া দেখা গৈছে। জনপ্ৰিয় হোৱাটো বেয়া কথা নহয় কিন্তু জনপ্ৰিয় হোৱাৰ নামত বহুৱালি কৰাটোহে বেয়া কথা। জনপ্ৰিয় হ’বলৈ মানুহে কেতিয়াও সমাজৰ অপ্ৰিয় কাম বা কুকৰ্ম কৰিব নালাগে। প্ৰতিজন মানুহেই নিজৰ নিজৰ ভাল কামত জনপ্ৰিয়। এজন ব্যক্তি প্ৰকৃততে তেতিয়াহে জনপ্ৰিয় হৈ উঠে যেতিয়া সেই ব্যক্তিজনৰ প্ৰতি সন্মুখৰ ব্যক্তিজনৰ হৃদয়ত সন্মানৰ ভাব জাগি উঠে। কাম সদায় এনেদৰে কৰিব লাগে যি কামৰ বাবে নিজৰ লগতে আন দহজনৰো উপকাৰ সাধন হয়।

# ইডিৰ কাৰ্যালয় ঘেৰাও কৰিলে প্ৰদেশ কংগ্ৰেছে




ৰঙিলী বাৰ্ত্তাসেৱা- বিৰোধী শক্তিৰ মুখ বন্ধ কৰিবৰ বাবে বিজেপি চৰকাৰে কংগ্ৰেছ নেতৃত্বক বদনামী কৰাৰ যি ষড়যন্ত্ৰ তাৰ বিৰুদ্ধে সমগ্ৰ দেশজুৰি ভাৰতীয় জাতীয় কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। নেশ্যনেল হেৰাল্ডৰ সম্পত্তি অধিগ্ৰহণ কৰিবলৈ ইডিয়ে যি ষড়যন্ত্ৰ ৰচিছে সেয়া সম্পূৰ্ণ ৰাজনৈতিক আৰু উদ্দেশ্য প্ৰণোদিত। সমগ্ৰ দেশৰ লগতে অসমতো সাংবিধানিক ক্ষমতা থকা প্ৰতিষ্ঠান ইডিক বিজেপি চৰকাৰে ব্যৱহাৰ কৰাৰ প্ৰতিবাদত গুৱাহাটীৰ ইডিৰ মুখ্য কাৰ্যালয় ঘেৰাও কৰে অসম প্ৰদেশ কংগ্ৰেছৰ শ শ নেতা-কৰ্মীয়ে। বিজেপি হায় হায়, ইডি মুৰ্দাবাদ, ভাৰতীয় সংবিধান ৰক্ষা কৰক, মোদী-অমিত শ্বাহৰ গুণ্ডাগিৰি নচলিব আদি ধ্বনিৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ নেতৃত্বত অহা কংগ্ৰেছ নেতা-কৰ্মীসকলে আকাশ-বতাহ মুখৰিত কৰি তোলে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ লগতে সাংসদ প্ৰদ্যুৎ বৰদলৈ, তেলেংগানাৰ সাংসদ মাল্লু ৰবি, অসমৰ দায়িত্বত থকা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক মনোজ চৌহান, অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, প্ৰাক্তন সাংসদ ৰিপুণ বৰা, আব্দুল খালেক, জ্যেষ্ঠ কংগ্ৰেছ নেতা প্ৰদ্যুৎ বৰা, কিৰিপ চলিহা, ৰাজেশ যোশী, কামৰূপ মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মা, জ্যেষ্ঠ কংগ্ৰেছ নেতা বিপুল কুমাৰ গগৈ, গুণকান্ত গগৈ, নৱ তালুকদাৰ, হেম্প্ৰী গগৈকে প্ৰমুখ্যে কৰি কংগ্ৰেছ নেতা-কৰ্মীসকলে প্ৰতিবাদৰ কাৰ্যসূচীত আগভাগ লয়। দীৰ্ঘ সময় ধৰি ইডি কাৰ্যালয় ঘেৰাও কৰি ধৰ্ণা দি থকাৰ সময়ত আৰক্ষীয়ে প্ৰবল বাধা দিয়ে আৰু কংগ্ৰেছ নেতৃত্বক বলপূৰ্বক বাছত উঠাই দশম অসম আৰক্ষী বেটেলিয়নৰ কেম্পলৈ লৈ গৈ আবদ্ধ কৰি ৰাখে। আৰক্ষীৰ এই অগণতান্ত্ৰিক কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই কয় যে কংগ্ৰেছ দলে নীতি-আদৰ্শৰ ভিত্তিত সংবিধান সুৰক্ষাৰ বাবে সংগ্ৰাম আৰম্ভ কৰিছে আৰু এই সংগ্ৰামক দেশৰ জনতাই মান্যতা প্ৰদান কৰিছে। গোসাঁই বিহুৰ দিনটোতো শ শ লোক ৰাজপথলৈ ওলাই আহি ইডিক ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত কৰিবৰ বাবে প্ৰতিবাদ জনাইছে। বৰাই কয় যে সবকা সাথ, সবকা বিকাশ বুলি শ্ল'গান দিয়া বিজেপি চৰকাৰৰ সাম্প্ৰদায়িক নীতিক কংগ্ৰেছে উফৰাই পেলাবৰ বাবে এই যুঁজ আৰম্ভ কৰিছে। অসমৰ ৰাইজক ধন্যবাদ জনাই বৰাই কয় যে পঞ্চায়ত নিৰ্বাচনত বিজেপি দল আৰু চৰকাৰৰ প্ৰৱঞ্চনাৰ উত্তৰ অসমৰ ৰাইজে সঠিকভাৱে দিব। সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু প্ৰাক্তন সাংসদ ৰিপুণ বৰাইয়ো বৰ্তমানৰ মোদী নেতৃত্বৰ চৰকাৰখনৰ নীতিক অগণতান্ত্ৰিক আৰু অসাংবিধানিক বুলি সমালোচনা কৰে। সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কয় যে সাংবিধানিক ক্ষমতা থকা চিবিআই, ইডিৰ দৰে সংস্থাসমূহৰ ক্ষমতাক বৰ্তমানৰ চৰকাৰে অপব্যৱহাৰ কৰি বিৰোধীৰ মুখ বন্ধ কৰিবলৈ অপচেষ্টা অব্যাহত ৰাখিছে। নিখিল ভাৰত কংগ্ৰেছৰ অসমৰ দায়িত্বত থকা সম্পাদক মনোজ চৌহানে কেন্দ্ৰীয় চৰকাৰৰ এই অসাংবিধানিক নীতিক মষিমূৰ কৰি সংবিধান সুৰক্ষা কৰা হ'ব বুলি উল্লেখ কৰে।

# ডিব্ৰুগড়ত বাণীপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত পহিলা ব'হাগত 'নিজৰ দিন' উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাহিত্য সভাৰ অন্যতম শাখা বাণীপুৰ শাখা সাহিত্যসভাৰ উদ্যোগত পহিলা ব'হাগৰ 'নিজৰ দিন' শীৰ্ষক অনুষ্ঠান আনন্দ-উৎসৱেৰে আয়োজিত হয়। বাণীপুৰস্থিত শাখা সাহিত্য সভাৰ নিৰ্মীয়মান কাৰ্যালয়ৰ বাকৰিত পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি ঘটে। কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই। ইয়াৰ পাছতে অসম সাহিত্য সভাৰ নিৰ্দেশমৰ্মে সফল জীৱন পৰিক্ৰমাৰে সমৃদ্ধ দুগৰাকী বিশিষ্ট ব্যক্তিক সন্মান জ্ঞাপন আৰু কৃতজ্ঞতা প্ৰকাশ কৰি সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট সাহিত্যিক, গৱেষক পণ্ডিত ইন্দ্ৰ গগৈ আৰু সাংস্কৃতিক তথা সমাজকৰ্মী অনিমা গগৈক শাখা সভাই ওলগনি পত্ৰ, মান্যবস্ত্ৰ, কিতাপৰ টোপোলা আৰু থুৰীয়া তামোলেৰে সেৱা জনাই সম্বৰ্ধনা জনায়। সভাপতিসহিতে শাখাড সভাৰ অন্য কৰ্মকৰ্তাসকলে সম্বৰ্ধিত ব্যক্তিৰ স্বগৃহতে তেওঁলোকৰ পৰিয়ালসহিতে এক অন্তৰঙ্গ আলাপ অনুষ্ঠানৰো আয়োজন কৰে। এনেদৰে ভাষা, সাহিত্য, সমাজ-সংস্কৃতিৰ বিকাশৰ কাম কৰি জাতীয় জীৱনক সমৃদ্ধ কৰা বিশিষ্ট ব্যক্তিক বাণীপুৰ শাখা সাহিত্য সভাই সম্বৰ্ধিত কৰে। এই অনুষ্ঠানতশাখা সভাৰ সভাপতি অজয় কুমাৰ দত্ত, উপ সভাপতি ড° যতীন্দ্ৰ নাথ গগৈ, সম্পাদিকা ড° দিব্যজ্যোতি বৰা, সহ সম্পাদিকা মঞ্জুলা শইকীয়া, বিশিষ্ট শিক্ষাবিদ তৰুণ চন্দ্ৰ গগৈ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সাংস্কৃতিক আহ্বায়িকা ঝৰ্ণা শইকীয়া, দীপক দত্ত, হলিৰাম ফুকন, পদ্মা শইকীয়া খনিকৰ উপস্থিত থাকে। এনেদৰে পৰম উৎসাহ-উদ্দীপনাৰে বাণীপুৰশাখা সাহিত্য সভাই এই মহৎ কাৰ্য সম্পন্ন কৰে।

# অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ

সমাপ্তি ঘটে। এই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দক্ষিণ অসম প্ৰান্তৰ প্ৰান্ত প্ৰচাৰক গৌৰাং ৰায়ে। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে বৰাক উপত্যকাৰ সংস্কৃতিক পৰম্পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ এক অভিনৱ প্ৰচেষ্টা হাতত লৈছে। ইয়াৰ বাবে বৰাক উপত্যকাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাসমূহ প্ৰথমে চহৰ পৰ্যায়ত অনুষ্ঠিত হৈছিল, তাৰ পিছত জিলা পৰ্যায়ত, আৰু এতিয়া ইয়াৰ গ্ৰেণ্ড ফাইনেল শিলচৰত অনুষ্ঠিত হ'ব। এই গ্ৰেণ্ড ফাইনেলত বিখ্যাত বলীউড আৰু টলিউডৰ অভিনেতা মিঠুন চক্ৰৱৰ্তী বিশেষ অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠিত এই সাংস্কৃতিক শোভাযাত্ৰাত বৰাক উপত্যকাৰ বিভিন্ন বেচৰকাৰী সংস্থা, সামাজিক অনুষ্ঠান আৰু সাংস্কৃতিক সংগঠনে সক্ৰিয় ভাৱে সহযোগিতা আগবঢ়ায়। ৫০০ৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ নাগৰিক এই সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাৰ মূল উদ্দেশ্য আছিল বৰাক উপত্যকাৰ সাংস্কৃতিক ঐতিহ্যক ৰাষ্ট্ৰীয় মঞ্চত উপস্থাপন কৰা। শিলচৰ জিলাৰ টাউন ক্লাবৰ সন্মুখৰ পৰা ৭:০০ বজাত শোভাযাত্ৰা আৰম্ভ হয়। এই শোভাযাত্ৰাত উদ্বোধক হিচাপে উপস্থিত থাকি শ্ৰী গৌৰাং ৰায়ে সকলোকে উদ্দেশী প্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰে। বৰাক সাংস্কৃতিক মহোৎসৱৰ কাৰ্যক্ৰম প্ৰমুখ কনক লাল দেৱে বৰ্ষুণৰ মাজতো শোভাযাত্ৰা সফল কৰি তোলাত অৰিহণা যোগোৱাৰ বাবে সকলোকে ধন্যবাদ জনায়। এই শোভাযাত্ৰাত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সম্পাদক কমলেশ সিং, অসম প্ৰদেশৰ সাংগঠনিক সম্পাদক অনুপ কুমাৰ, সহ-সাংগঠনিক সম্পাদক তুষাৰ ভৌমিক, বৰাক উপত্যকাৰ বিভিন্ন জিলাৰ শিক্ষানুষ্ঠান আৰু বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলেও এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে।

# ধীৰেনপাৰাত জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ নিৰ্দেশত মধ্য গুৱাহাটী যুৱ পৰিষদৰ উদ্যোগত মধ্য গুৱাহাটীৰ কেইগৰাকীমান জ্যেষ্ঠ নাগৰিকক তেওঁলোকৰ বাসগৃহত গৈ ৰঙালী বিহুৰ শুভেচ্ছা জনোৱা হয়। ৰাতিপুৱাৰ ভাগত ১১ নং ৱাৰ্ডৰ বাসিন্দা ধীৰেনপাৰাৰ নিবাসী হাঁহিৰাম কলিতা, ২০ নং ৱাৰ্ডৰ বাসিন্দা মৌৰাম দাস, ১২নং ৱাৰ্ডৰ বাসিন্দা অৰুণ কুমাৰ বৈশ্য, ২৯ নং ৱাৰ্ডৰ বাসিন্দা যোগেন্দ্ৰ নাথ পাঠক, ১৪ নং ৱাৰ্ডৰ বাসিন্দা ডক্তৰ মৃগেন্দ্ৰ নাথ ডেকাক ৰঙালী বিহুৰ শুভেচ্ছা জনোৱা হয়। এই কাৰ্যসূচীত উপস্থিত থাকে অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা মধ্য গুৱাহাটী যুৱ পৰিষদৰ সভাপতি সুশান্ত দেৱ চৌধুৰী, মধ্য গুৱাহাটী যুৱ পৰিষদৰ সম্পাদক ইন্দ্ৰজিৎ গোস্বামী, উপসভাপতি সুনীল দাস, সহ সম্পাদক দিবাকৰ ৰাজবংশী, জাভেদ আলী, অজয় গুপ্তা, সাহিল আলী, ৰিকী বৰুৱা, মোহিত পাণ্ডে আৰু তৃদ্বীপ কলিতা।

# গুৱাহাটীত ভাৰতীয়

কেইবাশ নেতা-কৰ্মীয়ে কংগ্ৰেৱৰ বিৰুদ্ধে ধ্বনিৰে আকাশ-বতাহ উত্তাল কৰি তোলে। 'ছোনিয়া গান্ধী মুৰ্দাবাদ' 'ৰাহুল গান্ধী মুৰ্দাবাদ' 'কংগ্ৰেছ মুৰ্দাবাদ' 'ৰাহুল গান্ধী গ বেক' আদি শ্ল'গানেৰে পৰিস্থিতি উত্তপ্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশ লয় ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসৰ লগতে জিলা সভাপতি নিহাৰেন্দ্ৰ শৰ্মা, বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰণৱ লহকৰৰ লগতে বহু কেইগৰাকী নেতা-কৰ্মী। কংগ্ৰেছ শাসন কালত ৰাজহুৱা সম্পত্তি ব্যক্তিগতকৰণ কৰা গান্ধী পৰিয়ালৰ লুণ্ঠন দেশৰ সম্পত্তি ছোনিয়া গান্ধী ৰাহুল গান্ধীয়ে নিজৰ নামত কৰাৰ কাৰ্যক সমালোচনা কৰি ৰাজ্যিক সভাপতি ৰাকেশ দাসে ছোনিয়া গান্ধী-ৰাহুল গান্ধীক অতি শীঘ্ৰেই গ্ৰেপ্তাৰৰ দাবী জনায়।

# বিনা প্ৰতিদ্বন্দ্বিতাৰে ৩২৫ আসন

বিনাপ্ৰতিদ্বন্দ্বিতাৰে বিজেপিয়ে জয়লাভ কৰিলে। বিৰোধীক একপ্ৰকাৰ ধৰাশায়ী কৰি এনেদৰে জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসনত জয়লাভ কৰাৰ পিছতে উৎফুল্লিত হৈ পৰিছে শাসকীয় দলটো। আনহাতে এনে জয়লাভৰ পিছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এয়া এক অভূতপূৰ্ব জনাদেশ বুলি উল্লেখ কৰিছে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে লিখিছে এয়া অসমৰ ৰাজনৈতিক ইতিহাসত এক বৃহৎ আৰু অভূতপূৰ্ব জনাদেশ। এই জনাদেশেই ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা (এনডিএ) আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি অসমৰ জনসাধাৰণৰ অপৰিসীম বিশ্বাস আৰু মৰমক প্ৰতিফলন কৰে। আমি নিশ্চিত যে চূড়ান্ত নিৰ্বাচনৰ ফলাফলৰ সংখ্যা আৰু অধিক আকৰ্ষণীয় হ'ব। এনডিএই অসমৰ পঞ্চায়ত নিৰ্বাচনত বিজয়ৰ নতুন জোৱাৰ আনিবলৈ সাজু হৈছে।

# হায়দৰাবাদক ৪ উইকেটত

আৰম্ভণি দিয়াত ব্যৰ্থ হয়। ৭.৩ অভাৰত ৫৯ ৰান সংগ্ৰহৰ সময়তে অভিষেক শৰ্মাৰ ৰূপত প্ৰথমটো উইকেট হেৰুৱায় ছানৰাইজাৰ্ছে। অভিষেকে ২৮টা বলত সাতটা চাৰিৰে ৪০ ৰানৰ অৰিহণা আগবঢ়ায়। ইফালে, অভিষেক আউট হোৱাৰ কিছু সময় পিছতে ঈশান কিষাণে মাত্ৰ ২ ৰান কৰি পেভিলিয়নমুখী হয়। সেই সময়ত দলটোৰ দলীয় স্ক'ৰ আছিল দুই উইকেটত ৬৮। ইফালে, ট্ৰেভিছ হেডে ২৯টা বলত তিনিটা চাৰিৰে ২৮ ৰান কৰি বিদায় লয়। আনহাতে, নীতিশ কুমাৰ ৰেড্ডীয়ে ১৯ ৰানত পেভিলিয়নমুখী হয়। অৱশ্যে ক্লাছেনে ২৮টা বলত তিনিটা চাৰি আৰু দুটা ছয়েৰে ৩৭ ৰানৰ গুৰুত্বপূৰ্ণ ইনিংছ খেলি দলটোক কিছু সুস্থিৰ অৱস্থাত উপনীত কৰায়। অনিকেত বাৰ্মাই আঠটা বলত দুটা ছয়েৰে ১৮ ৰান কৰি অপৰাজিত হৈ থকাৰ বিপৰীতে অধিনায়ক পেট কামিনছে আঠ ৰান কৰি অপৰাজিত হৈ থাকে। মুম্বাই ইণ্ডিয়ানছৰ হৈ উইল জেকছে সৰ্বাধিক দুটা উইকেট লাভ কৰাৰ লগতে ট্ৰেন্ট ব'ল্ট, যশপ্ৰীত বুমৰাহ আৰু হাৰ্দিক পাণ্ডিয়াই এটাকৈ উইকেট লাভ কৰে।

# চানমাৰিৰ বিহু মঞ্চত অপমানিত

কিবা ড্ৰেছক'ড থাকিব পাৰে। সেয়া মই অস্বীকাৰ কৰা নাই। মোক অনুৰোধ কৰাৰ আগতেই এই বিষয়টো চালিজাৰি চাব লাগিছিল। কেইজনমানে উঠাই দি আকৌ আন কেইজনমানে ডকা-হকা দি নমোৱাৰ এই অধিকাৰ তেওঁলোকক কোনে দিলে? যদি নিয়ম আছিলেই তেন্তে মোক অন্ততঃ কাণে কাণে কথাষাৰ কোৱা হ'লেও মঞ্চত নুঠি তলৰ পৰাই মই গীত পৰিৱেশন কৰিলোঁহেঁতেন। ইপিনে শিল্পীগৰাকীৰ পত্নী ভাস্বতী ভাৰতীয়ে এই ঘটনাটোৰ বাবে সন্মিলনৰ সাধাৰণ সম্পাদক সীমান্ত ঠাকুৰীয়াক দোষাৰোপ কৰি কয় যে অত্যন্ত অকৰ্তৃত্বশীলভাৱেৰ সুৰাসক্ত অৱস্থাত সীমান্ত ঠাকুৰীয়া নামৰ বিষয়াজনে দিগন্ত ভাৰতীক মঞ্চত অপদস্থ কৰিছে। এই অপমানৰ বাবে পূব গুৱাহাটী বিহু সন্মিলনৰ বিষয়ববীয়াক সংবাদ মাধ্যমৰ জৰিয়তে ক্ষমা খোজাৰ আহ্বান জনোৱাৰ লগতে পাবলগীয়া মাননিখিনিও সসন্মানে ঘৰতেই দি যাবলৈ শিল্পী দিগন্ত ভাৰতীয়ে দাবী জনাইছে। বিহুৰ বতৰত বিহুমঞ্চত সৃষ্টি হোৱা এই অপ্ৰীতিকৰ পৰিস্থিতিৰ পিছতেই শিল্পীদ্বয় ক্ৰমে দিগন্ত ভাৰতী আৰু ভাস্বতীৰ সকলো অভিযোগ নস্যাৎ কৰিছে সন্মিলনৰ সাধাৰণ সম্পাদক সীমান্ত ঠাকুৰীয়াই। চানমাৰিৰ বিহু সন্মিলনৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদ মেলত সাধাৰণ সম্পাদক ঠাকুৰীয়াই কয় যে আমি কোনোধৰণৰ অভদ্ৰামি দিগন্ত ভাৰতীৰ সৈতে কৰা নাই বা অশ্লীল ভাষা, শাৰীৰিকভাৱে অপদস্থও কৰা নাই। আমি তেওঁক অনুৰোধহে কৰিছিলোঁ। শিল্পীগৰাকীয়ে তেওঁক নিমন্ত্ৰণ কৰি মঞ্চলৈ অনাৰ দোহাই দি গান গামেই বুলি কৈছিল। তেতিয়া মই মাইক্ৰ'ফোনটো নি তেওঁক সকলোখিনি কৈছিলোঁ। জাতীয় সাজপাৰ পৰিধান কৰি মঞ্চত অনুষ্ঠান পৰিৱেশন কৰিবলগা বিষয়টো আমাৰ চুক্তিপত্ৰত উল্লেখ আছে। ভাস্বতী ভাৰতীয়েও চুক্তিপত্ৰখনত স্বাক্ষৰ কৰিছে। মঞ্চত জীনছ পৰিধান কৰি অনুষ্ঠান পৰিৱেশন কৰি থকা কথাটো আমাক কেইবাগৰাকীও শিল্পীয়ে ফোনযোগে অভিযোগ কৰাৰ পিছতহে তেওঁক জনোৱা হৈছিল। শিল্পী দিগন্ত ভাৰতীয়ে সমিতিৰ দুজন বিষয়াই জনোৱা আমন্ত্ৰণৰ পিছতহে মঞ্চত গীত পৰিৱেশন কৰিছিল বুলি দিয়া মন্তব্য সন্দৰ্ভতো সাধাৰণ সম্পাদক ঠাকুৰীয়াই কয় যে মঞ্চৰ দায়িত্বত থকা কোনো বিষয়ববীয়াই তেওঁক গীত পৰিৱেশনৰ বাবে নিমন্ত্ৰণ কৰা নাছিল। আমাৰ সমিতিত চাৰি শতাধিক সদস্য আছে। ব্যক্তিগত ভাল সম্পৰ্কৰ বাবে যদি তেনে কোনো লোকে নিমন্ত্ৰণ কৰিছিল, সেয়া ভাল হোৱা নাই। এই বিষয়টো আমি চাম। উক্ত লোকজনক চিনাক্ত কৰি ব্যৱস্থাও গ্ৰহণ কৰা হ'ব। ইপিনে সমগ্ৰ বিষয়টোক লৈ পূব গুৱাহাটী বিহু সন্মিলনক ক্ষমা খোজাৰ বাবে শিল্পী দিগন্ত ভাৰতীয়ে জনোৱা আহ্বানৰ পাছত ক্ষমা খোজাৰ কোনো প্ৰশ্নই নুঠে বুলি সন্মিলনৰ সাধাৰণ সম্পাদক সীমান্ত ঠাকুৰীয়া সংবাদ মেলত সদৰী কৰিছে। শিল্পী ভাস্বতী ভাৰতীৰ মাননি সন্দৰ্ভতো তেওঁ কয় যে মাননি আমি নিশ্চয়কৈ দিম। নিদিওঁ বুলি কেতিয়াও কোৱা নাই। ঘৰত মাননি কোনোৰে দিব নাযায়। শিল্পীগৰাকীয়ে যদিহে নিজে নাহে, তেন্তে বেলেগ উপায়েৰে হ'লেও মাননি প্ৰেৰণৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ লগতে কয়।

# টীম ইণ্ডিয়াৰ সহকাৰী

পৰা গৈছে। দুয়োজনেই তিনি বছৰতকৈ অধিক সময় ভাৰতীয় দলৰ সৈতে জড়িত আছিল আৰু সেয়ে নিয়ম অনুসৰি এতিয়া তেওঁলোক পুনৰ ভাৰতীয় দলৰ অংশীদাৰ হ'ব নোৱাৰিব। চেম্পিয়নছ ট্ৰফী জয় কৰাৰ পাছতো ব'ৰ্ডে মাত্ৰ ৮ মাহৰ ভিতৰতে এই তিনিজন সদস্যক দলৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জানিব পৰা মতে, অভিষেক নায়াৰ আৰু ফিল্ডিং প্ৰশিক্ষক টি দিলীপৰ স্থানত আন কোনো প্ৰশিক্ষক নিযুক্তি দিয়া নহয়। বৰ্তমান সীতাংশু কোটক বেটিং প্ৰশিক্ষক আৰু ৰিয়ান টেন ড'ছাট সহকাৰী প্ৰশিক্ষকৰ দায়িত্বত আছে। ড'ছাটেই এতিয়া ফিল্ডিং প্ৰশিক্ষকৰ অতিৰিক্ত দায়িত্বও বহন কৰিব পাৰে। অৱশ্যে ফিটনেছ ট্ৰেইনাৰ শোহম দেশাইৰ স্থানত আন এজন সদস্যক নিযুক্তি দিয়া হ'ব পাৰে। উল্লেখ্য যে গৌতম গম্ভীৰ টীম ইণ্ডিয়াৰ মুখ্য প্ৰশিক্ষক হোৱাৰ পিছত কলকাতা নাইট ৰাইডাৰ্ছৰ পৰা অভিষেক নায়াৰক লৈ আহিছিল। গম্ভীৰৰ জোৰত নায়াৰক সহকাৰী প্ৰশিক্ষক হিচাপে নিযুক্তি দিছিল ব'ৰ্ডে। কিন্তু মাত্ৰ ৮ মাহৰ ভিতৰতে চাকৰি হেৰুৱালে অভিষেক নায়াৰে।

# ৱাক্‌ফ সংশোধনী আইনক লৈ দ্বিতীয়

বিচাৰপীঠৰ এই নিৰ্দেশৰ সময়তে কেন্দ্ৰীয় চৰকাৰে ৱাক্‌ফ আয়োগ অথবা ৱাক্‌ফ ব'ৰ্ডত কোনো নিযুক্তি নিদিয়ে বুলি লিখিত প্ৰতিশ্ৰুতি দিয়ে। মুখ্য ন্যায়াধীশ খান্নাৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠত ন্যায়াধীশ পি ভি সঞ্জয় কুমাৰ আৰু কে ভি বিশ্বনাথনে কেন্দ্ৰীয় চৰকাৰক ৱাক্‌ফ আইনৰ সম্পত্তি সন্দৰ্ভত সকীয়নি দি ৱাক্‌ফ সম্পত্তিৰ সালসলনিয়ে দেশত অশান্তিৰ বীজ বিয়পাব পাৰে বুলি উদ্বিগ্নতা প্ৰকাশ কৰিছে। কোনো কাৰণতে ৱাক্‌ফৰ সম্পত্তি সালসলনি কৰাৰ ক্ষেত্ৰত চৰকাৰক সজাগ হোৱাৰো পৰামৰ্শ আগবঢ়াইছে। বৃহস্পতিবাৰে বিয়লি ২ বজাত শুনানি গ্ৰহণ কৰি বিচাৰপীঠে ৱাক্‌ফৰ সম্পত্তি সালসলনি কৰিব নোৱাৰাৰ লগতে নতুন নিযুক্তি দিব নোৱাৰোঁ বুলিও স্পষ্ট নিৰ্দেশ দিয়ে। ৱাক্‌ফ সংশোধনী আইনত উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ নিদিলেও বিচাৰপীঠৰ এই সিদ্ধান্তই কেন্দ্ৰীয় চৰকাৰক বিপাঙত পেলাইছে। উল্লেখ্য যে বিৰোধী দলৰ লগতে দেশৰ মুছলিম সংগঠনে উচ্চতম ন্যায়ালয়ত ৱাক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰি আবেদন দাখিল কৰিছে। ৭২খন এনে আবেদনক একত্ৰিত কৰি তিনিজনীয়া বিচাৰপীঠে দুদিন ধৰি শুনানি গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰক এই সন্দৰ্ভত মত ব্যক্ত কৰিবলৈ ৭ দিনৰ সময়সীমা নিৰ্ধাৰণ কৰি দিয়ে।

# ছুপাৰ অভাৰত

হেৰুৱায়। জেক ফ্ৰেজাৰে মাত্ৰ ৯ ৰান কৰি বিদায় লয়। জেক ফ্ৰেজাৰ আউট হোৱাৰ খন্তেক পিছতে কৰুণ নায়াৰ শূণ্যতে ৰানআউট হৈ পেভিলিয়নমুখী হয়। সেই সময়ত দলটোৰ স্ক'ৰ আছিল ২ উইকেট ৩৪। অৱশ্যে আনগৰাকী অ'পেনাৰ অভিষেক প'ৰেলে লোকেশ ৰাহুলৰ সৈতে লগ লাগি তৃতীয় উইকেটত ৬৩ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে। ৰাহুলে ৩৮ ৰান কৰি বিদায় লয়। ইফালে প'ৰেলে ৪৯ ৰান কৰি বিদায় লয়। দিল্লী কেপিটেলছে দলীয় স্ক'ৰ ১০৫ ৰানত চাৰিটা উইকেট হেৰুৱাই পুনৰ বিপদত পৰিছিল যদিও ষ্টাবছৰ সৈতে লগ লাগি অক্ষৰ পেটেলে আক্ৰমণাত্মক বেটিঙেৰে দলক সবল স্থিতিত উপনীত কৰায়। অক্ষৰে ১৪টা বলত ৪টা চাৰি আৰু ২টা ছয়েৰে ৩৪ ৰান কৰি বিদায় লয় যদিও ষ্টাবছে ১৮টা বলত ৩৪ ৰান কৰি অপৰাজিত হৈ থাকে। আশুতোষ শৰ্মাই ১১টা বলত ১৫ ৰান কৰি নটআউট হৈ থাকে। ৰাজস্থানৰ হৈ জ'ফ্ৰা আৰ্চাৰে সৰ্বাধিক ২টা উইকেট লাভ কৰে।

# কলকাতাৰ বিৰুদ্ধে

জ'ছ ইংলিছে ২ আৰু গ্লেন মে'ৱেলে মাত্ৰ ৭ ৰানহে কৰে। কলকাতাৰ হৈ হৰ্ষিত ৰাণাই সৰ্বাধিক ৩টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ৰবচ ৰানৰ জয়ৰ লক্ষ্য লৈ বেটিং কৰিবলৈ আহি যুজবেন্দ্ৰ চাহালৰ স্পীন বলিঙত বেটিং বিপৰ্যয় হৈ কলকাতাই ১৫.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৫ ৰানহে কৰে। দলটোৰ মাত্ৰ তিনিগৰাকী বেটাৰে দহকৰ ঘৰ স্পৰ্শ কৰে। অংগকুশ ৰঘুবংশীয়ে সৰ্বাধিক ৩৭ ৰান কৰে। পঞ্জাবৰ হৈ চাহালে সৰ্বাধিক ৪টা উইকেট লাভকৰাৰ লগতে মাৰ্কো জানছেনে ৩টা উইকেট লাভকৰে। উল্লেখ্য যে আইপিএলৰ ইতিহাসত এতিয়ালৈকে সৰ্বনিম্ন স্ক'ৰ ডিফেণ্ড কৰি জয়ৰ সোৱাদ লাভ কৰে পঞ্জাবে। ইয়াৰ পূৰ্বে আইপিএলত সৰ্বনিম্ন স্ক'ৰ ডিফেণ্ড কৰাৰ অভিলেখ আছিল চেন্নাই ছুপাৰ কিংছৰ নামত। ২০০৯ চনত চেন্নায়ে পঞ্জাব কিংছৰ বিৰুদ্ধে ৯ উইকেটত ১১৬ ৰান কৰিও জয়লাভ কৰিছিল।

# ভাৰতীয় ভাৰোত্তোলন

দ্বিতীয়গৰাকী ভাৰতীয় ভাৰোত্তোলক। তেওঁ টকিঅ' অলিম্পিকত মুঠ ২১০ কিলোগ্ৰাম উত্তোলন কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে তেওঁ পেৰিছ অলিম্পিকত পদক লাভৰ পৰা বঞ্চিত হৈছিল। মীৰাবাঈ চানুৱে ২০১৮ আৰু ২০২২ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত সোণৰ পদক লাভ কৰিছিল। তেওঁ ২০১৭চনৰ বিশ্ব চেম্পিয়নশ্বিপত স্বৰ্ণ আৰু ২০২২ চনত ৰূপৰ পদক লাভ কৰিছিল। তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ৰ চেম্পিয়নশ্বিপত ৩টা স্বৰ্ণ আৰু এটা ৰূপৰ পদক লাভ কৰিছে।

# গৌৰৱ গগৈয়ে বিৰোধী ঐক্যমঞ্চ

ইয়াৰ পৰা এটা কথা স্পষ্ট হৈছে যে গৌৰৱ গগৈয়ে শিৱসাগৰত ৰাইজৰ দলৰ সৈতে মিত্ৰতা কৰাৰ ইচ্ছা নাই। আনকি কংগ্ৰেছৰ ভিতৰৰ সূত্ৰৰ পৰাও আমি গম পাইছোঁ যে গৌৰৱ গগৈয়ে বিৰোধী ঐক্যমঞ্চ হ'বলৈ দিয়া নাই। দৰকাৰত বিজেপিয়েই পঞ্চায়ত নিৰ্বাচনত জিকক, কিন্তু কংগ্ৰেছ আৰু ৰাইজৰ দল একত্ৰিত হ'ব নালাগে। যিগৰাকী গৌৰৱ গগৈক যোৰহাট সমষ্টিত লোকসভা নিৰ্বাচনত বিজয়ী কৰাৰ ক্ষেত্ৰত ৰাইজৰ দলে দিন-ৰাতি এক কৰি দিলে, সেইজন গৌৰৱ গগৈয়ে বিৰোধী ঐক্য ভাঙোনত এই স্থিতি লোৱাটো অতি দুৰ্ভাগ্যজনক। ৰাইজৰ দলৰ সৈতে একেলগে নিৰ্বাচন নেখেলি কংগ্ৰেছে প্ৰমাণ কৰিলে যে শিৱসাগৰত কংগ্ৰেছে বিজেপিক সহায় কৰিছে। অখিল গগৈয়ে পুনৰ কয়- পঞ্চায়ত নিৰ্বাচনত পৃথক পৃথককৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা মানেই সকলো শেষ। ইফালে আন এক অভিযোগ তুলি ধৰি ৰাইজৰ দলৰ সভাপতিগৰাকীৰ মন্তব্য- প্ৰদেশ কংগ্ৰেছৰ সভাপতি নোহোৱালৈকে গৌৰৱ গগৈয়ে বিৰোধী ঐক্য হ'ব নিদিয়ে। শিৱসাগৰত নিৰ্বাচনী বুজাবুজি হ'লে ভূপেন বৰাৰ সৈতে আমাৰ সম্পৰ্ক ভাল হ'ব বুলি গৌৰৱ গগৈয়ে শুভ্ৰমিত্ৰ গগৈৰ জৰিয়তে এই মিত্ৰতাত বাধা দিছে। আনকি ভূপেন বৰাই শিৱসাগৰ জিলা কংগ্ৰছ কমিটীক স্পষ্টকৈ আসন বুজাবুজিৰ বাবে নিৰ্দেশ দিয়াৰ পিছতো ওলোটাকৈ শিৱসাগৰ জিলা কংগ্ৰেছ কমিটীয়ে এই মিত্ৰতাৰ প্ৰয়োজন নাই বুলি ভূপেন বৰাক মিত্ৰতা নকৰিবলৈয়ে হেঁচা দিছে আৰু এই সকলোবোৰ গৌৰৱ গগৈৰ নিৰ্দেশতে হৈছে। ইফালে মিত্ৰতাৰ বিষয়টোক লৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়ায়ো বিপৰীত স্থিতি গ্ৰহণ কৰা বুলিও অখিল গগৈয়ে অভিযোগ কৰে। অখিল গগৈয়ে কয় যে দেৱব্ৰত শইকীয়াৰ সৈতে আমাৰ যথেষ্ট সম্পৰ্ক ভাল আছিল। কিন্তু হঠাৎ দেৱব্ৰত শইকীয়াও মিত্ৰতাৰ বিৰোধিতা কৰিছে। গতিকে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ৰাইজৰ দলে নাজিৰা সমষ্টিত শক্তিশালী প্ৰাৰ্থী প্ৰক্ষেপ কৰিব।

# ৮ ছেপ্টেম্বৰত অসমলৈ আহিব

আছাম বায়'-ইথানল প্ৰকল্প উদ্বোধন কৰিবলৈও অনুৰোধ জনায়। এই প্ৰকল্পটোত বাৰ্ষিক ৪৯ কে টি পি এ ইথানল উৎপাদন হ'ব আৰু ইয়াৰ বাবে ৩০০ কেটিপিএ বাঁহ কেঁচামাল হিচাপে ব্যৱহাৰ হ'ব। আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ৫, ৭০০ কোটি টকা ব্যয়সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প আৰু দৰং চিকিৎসা মহবিদ্যালয় আৰু হাস্পতালৰ শিলান্যাস কৰিবলৈকো প্ৰধানমন্ত্ৰী মোদীক আমন্ত্ৰণ জনায়। পিছত নিজৰ সামাজিক মাধ্যমত এই বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে "माननीय প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সৈতে আজি নতুন দিল্লীত এক সৌহাৰ্দ্যপূৰ্ণ সাক্ষাতত মিলিত হোৱাৰ সৌভাগ্য হয়। বৰেণ্য শিল্পী, ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদযাপন কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক অসমবাসীৰ হৈ আমন্ত্ৰণ জনাবলৈ পাই সৌভাগ্য অনুভৱ কৰিছোঁ। এই সুযোগতেই ৪৯ কেটিপিএ উৎপাদন ক্ষমতা থকা, ৩০০ কেটিপিএ বাঁহ কেঁচামাল হিচাপে ব্যৱহাৰ হ'বলগীয়া আছাম বায়'-ইথানল প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিবলৈ প্ৰধানমন্ত্ৰী মোদীক অনুৰোধ জনাওঁ। ইয়াৰ উপৰি, ৫, ৭০০ কোটি টকা ব্যয়সাপেক্ষে গুৱাহাটী ৰিং ৰোড প্ৰকল্প আৰু দৰং মেডিকেল কলেজ আৰু হাস্পতালৰ শিলান্যাস কৰিবলৈ অনুৰোধ জনাওঁ আৰু আপোনালোকক জনাবলৈ পাই আনন্দিত হৈছোঁ যে চলিত বৰ্ষৰ ৮ ছেপ্টেম্বৰত অনুষ্ঠিতব্য এই গুৰুত্বপূৰ্ণ অনুষ্ঠানসমূহত উপস্থিত থকাৰ ক্ষেত্ৰত মাননীয় মোদী ডাঙৰীয়াই সন্মতি জনাইছে।"

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত

প্ৰসাদ কানৈৰ আৰ্থিক সাহাৰ্যত আৰু সুমন দত্তৰ কলমত প্ৰকাশ পোৱা 'গৱেষণালব্ধ ৰায়চাহাব কানৈঃ দীনৰ পৰাদানী হোৱা অবিস্মৰণীয় ব্যক্তিত্ব' শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে মন্ত্ৰী প্ৰশান্ত ফুকনে। মনকৰিবলগীয়া যে বিশিষ্ট লেখক, সাংবাদিক সুমন দত্তই কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ পৰামৰ্শ অনুসৰি গ্ৰন্থখন প্ৰকাশ কৰা সম্ভৱ হয় বুলি উল্লেখ কৰি কানৈ মহাবিদ্যালয়ৰ আটাইকেইখন মহাবিদ্যালয়ক একত্ৰিত কৰি বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ বাবে পদক্ষেপ ল'বলৈ সকলোকে আহ্বান জনায়। গৱেষণামূলক গ্ৰন্থখন আটকধুনীয়াকৈ লিখি উলিওৱাৰ বাবে লেখক সুমন দত্তক ত্ৰিশহাজাৰ টকাৰ এখন চেক অধ্যক্ষই প্ৰদান কৰে। উল্লেখ্য যে এই অনুষ্ঠানত জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ সৈতে ডিব্ৰুগড়ৰ চাৰিখন মহাবিদ্যালয় ক্ৰমে ডি এইচ এছ কানৈ মহাদ্যিলয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়, ডি এইচ এছ কানৈ আইন মহাবিদ্যালয়ৰ লগত ছাত্ৰ-ছাত্ৰীৰ বাৰ্ষিক জলপানি সম্পৰ্কত প্ৰতিখন মহাবিদ্যালয়ক দুই লাখ টকাকৈ এক বুজাবুজি চুক্তিত স্বাক্ষৰিত হয়। অনুষ্ঠানত ডি এইচ এছ কানৈ মহাবিদ্যালয় উন্নয়নৰ বাবে বাৰ লাখ পঞ্চাশ হাজাৰ টকাৰ আৰ্থিক সাহাৰ্য আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, ডি এইচ এছ কানৈ মহাবিদ্যালয় পৰিচালনা কৰা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালী, ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈ, ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, ডি এইচ এছ কানৈ আইন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰচেনজিৎ বৰকটকী, এন এল বি চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বুঢ়াগোহাঁই, অসম পৰ্যটন বিকাশ নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, মন্ত্ৰী প্ৰশান্ত ফুকনৰ সহধৰ্মিনী জ্যোতি ফুকন উপস্থিত থাকি অনুভৱ ব্যক্ত কৰে। শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰঅধ্যাপিকা সংক্ৰান্তি দেৱীয়ে।

# বৰপেটাত অসম সাহিত্য সভাৰ

ভাষা-সংস্কৃতিৰ সংকটৰ সময়ত প্ৰতিজন জাতিপ্ৰেমীয়ে শক্তিশালী ভূমিকা পালন কৰিব লাগে; প্ৰতিগৰাকী জাতীয়ভাৱাপন্ন সচেতন ব্যক্তিয়ে আমাৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ সভ্যপদ গ্ৰহণ কৰি জাতিৰ স্বাভিমান বৃদ্ধি কৰাৰো দায়িত্ব গ্ৰহণ কৰক। বৰপেটা শতদল সাহিত্য সভাৰ সম্পাদক মাধন ভূএগ্ৰা শৰ্মাই আঁতধৰা সভাখনত অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, চৰ-চাপৰি ভাষা বিকাশ উপসমিতিৰ আহ্বায়ক ডাঃ আব্দুল কুদ্দুছ শিকদাৰ, লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়ৰ প্ৰাক্তন সম্পাদক বিপুল শৰ্মা বৰুৱা, জালাহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক নয়নমণি চৌধুৰী, সাংগঠনিক সম্পাদক অতুল কলিতা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, বৰপেটা শতদল সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ কমলকৃষ্ণ দাস প্ৰমুখ্যে বিষয়ববীয়াসকলে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখন জাতীয় সংগীত পৰিৱেশনৰে সফল সামৰণি পৰে। উল্লেখ্য যে, অসম সাহিত্য সভাৰ উপসভাপতি- প্ৰধান সম্পাদকৰ নেতৃত্বত যোৱা সেতুবন্ধ যাত্ৰাৰ প্ৰতিনিধি দলটোৱে পুৱাৰ ভাগত বামুণা সত্ৰ, সুন্দৰীদিয়া সত্ৰ আৰু বৰপেটা সত্ৰ পৰিদৰ্শন কৰি সেৱা আগবঢ়ায়।

# ৱাক্ফ আইনৰ বিৰোধিতাৰ

হিন্দু ভুক্তভোগীসকলক সহায় কৰাৰ সলনি হিংসাৰ বাবে উচটনি দিয়া লোককহে সাক্ষাৎ কৰিছে বুলিও তেওঁ কয়। নিজৰ ভোটবেংক সুৰক্ষিত কৰি ৰাখিবলৈয়ে পশ্চিমবংগৰ মমতা বেনাৰ্জী নেতৃত্বাধীন চৰকাৰে হিংসাত্মক পৰিস্থিতি নিয়ন্ত্ৰণ কৰা নাই। পশ্চিমবংগ চৰকাৰে গ্ৰহণ কৰা নীৰৱ দৰ্শকৰ ভূমিকাৰ বাবেই আজি ৰাজ্যখনৰ পৰিস্থিতি অত্যন্ত উদ্বেগজনক হৈ পৰিছে। সংবাদ মেলত অংশ লৈ পৰিষদৰ উত্তৰ-পূব প্ৰান্তৰ উপ-সভাপতি ধ্ৰুৱ মাহাতোৱে পশ্চিমবংগ চৰকাৰৰ এই ব্যৰ্থতাৰ পিছত ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক দাবী জনাইছে। তেওঁৰ মতে পশ্চিমবংগ আৰক্ষীৰ সলনি ৰাজ্যখনৰ আইন-শৃংখলাৰ দায়িত্ব কেন্দ্ৰীয় সুৰক্ষা সংস্থাক গতোৱাৰ ব্যৱস্থা কেন্দ্ৰই হাতত ল'ব লাগে। মুৰ্ছিদাবাদত সৃষ্টি হোৱা এই হিংসাত্মক পৰিস্থিতি যাতে দেশৰ আন প্ৰান্তলৈ বিয়পিব নোৱাৰে তাৰ প্ৰতিও কঠোৰ ব্যৱস্থা ল'বলৈ কেন্দ্ৰক পৰিষদে দাবী জনাইছে।

# বটদ্ৰৱাত ৫ শতাধিক

যোগদান। যিটো নগাঁও-বটদ্ৰৱাৰ কংগ্ৰেছ শিবিৰৰ বাবে মোক্ষম আঘাত হিচাপে বিবেচিত হৈছে। ভোমোৰাগুৰিৰ সদ্য প্ৰাক্তন পঞ্চায়ত সভাপতি গুলজাৰ হুছেইন, হাতেম আলী, শ্বৰীফ আলী, ইক্ৰামুল হুছেইন, আনোৱাৰ হুছেইনৰ নেতৃত্বত ৫ শতাধিক কংগ্ৰেছীয়ে দল ত্যাগ কৰি বিজেপিত যোগদান কৰে। ৬০নং নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত ভোমোৰাগুৰি গাঁও পঞ্চায়তৰ শান্তিজান পাৰ গাঁৱত অনুষ্ঠিত যোগদান সভাখনত সভাপতিত্ব কৰে বিজেপিৰ বটদ্ৰৱা মণ্ডলৰ সভাপতি ৰাজেশ কোঁৱৰে। বিজেপিৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জনহিতকৰ কাম-কাজৰ প্ৰতি গভীৰ আস্থাৰে ৫০০ শতাধিক কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে। নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ কলিয়াববৰ প্ৰাক্তন সাংসদ গৌৰৱ গগৈ আৰু বিধায়িকা শিৰামণি বৰাৰ নিৰ্বাচনী জয়ত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা বটদ্ৰৱা ভোমোৰাগুৰি পঞ্চায়তৰ প্ৰাক্তন সভাপতি, মণ্ডল কংগ্ৰেছৰ বিষয়ববীয়াসকলে দলত্যাগ কৰিবিজেপিত যোগদান কৰাৰ পিছত নগাঁও বটদ্ৰৱা সমষ্টিৰ সংখ্যালঘু বসতিপ্ৰধান অঞ্চলটোত পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কংগ্ৰেছ দল একপ্ৰকাৰ নিশকতীয়া হৈ পৰিল বুলি দলত্যাগী প্ৰাক্তন কংগ্ৰেছীসকলে মত প্ৰকাশ কৰে। যোগদান সভাখনত উপস্থিত থাকি বিজেপিত যোগদান কৰা প্ৰতিগৰাকী নতুন সদস্যক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে নগাঁও-বটদ্ৰৱাৰ বিধায়ক ৰূপক শৰ্মাই। বটদ্ৰৱা মণ্ডলৰ সভাপতি ৰাজেশ কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিজেপিৰ ১৬নং কাছামাৰী জিলা পৰিষদৰ সদস্য পদৰ মনোনীত প্ৰাৰ্থী প্ৰাঞ্জল দাস, ৰাইদঙীয়া বটদ্ৰৱা পঞ্চায়তৰ আঞ্চলিক সদস্যৰ মনোনীত প্ৰাৰ্থী স্মৃতা বৰা, বটদ্ৰৱা মণ্ডল বিজেপিৰ সম্পাদক দুৰ্লভ বৰা, প্ৰাক্তন মণ্ডল সভাপতি পদ্ম বৰা, কল্যাণ কলিতা, প্ৰাঞ্জল কলিতা আৰু কেইবাশ দলীয় কৰ্মী উপস্থিত থাকে।

# ভগৱতী প্ৰসাদ বৰুৱা

অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক সঞ্জীৱ কুমাৰ শৰ্মা, অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, সচিব অশোক সেনাপতি, স্থায়ী বিত্তীয় পুঁজিৰ আহ্বায়ক গোবিন্দ কলিতা, শৰৎ চন্দ্ৰ গোস্বামী ভাষা গৱেষণা কেন্দ্ৰৰ আহ্বায়ক ড° ৰবীন দাস, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, সদৌ অসম ছাত্ৰ সন্থাৰ উপসভাপতি ভৱজিৎ বেজবৰুৱা, সদৌ অসম কৰ্মচাৰী সন্থাৰ সম্পাদক পংকজ বৰ্মন, নলবাৰী জিলা সাহিত্য সভাৰ উপসভাপতি সমৰ তালুকদাৰ, প্ৰাক্তন জিলা সভাপতি বিপিন কলিতা, জিলা সম্পাদক নৰেশ্বৰ কলিতা, সহকাৰী সম্পাদক শ্বাহ আলম, লেখক পংকজ গোবিন্দ মেধি, প্ৰমুখ্যে জিলা, শাখা সাহিত্য সভাৰ বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। অসম সাহিত্য সভাৰ নাট্য সন্মিলন উপসমিতিৰ আহ্বায়ক তথা নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই আঁতধৰা সভাখনত অসম সাহিত্য সভাৰ সভাপতি, উপসভাপতি আৰু প্ৰধান সম্পাদকক বিভিন্ন দল-সংগঠন-ব্যক্তি বিশেষে ব্যাপক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখন জাতীয় সংগীত পৰিৱেশনৰে সফল সমাপ্তি ঘটে। উল্লেখ্য যে পুৱা ৮ বজাত অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয় ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ পৰা অসম সাহিত্য সভাৰ তৃতীয় পৰ্বৰ সেতুবন্ধ কাৰ্যসূচীৰ শুভাৰম্ভ হয়।

# ENGLISH NEWS SECTION

## LSG beat RR by 2 runs



RB News- Pacer Avesh Khan picked up three crucial wickets in the end as the Lucknow Super Giants edged past the Rajasthan Royals by just 2 runs in a thrilling IPL encounter on Saturday. For the Rajasthan Royals, Yashasvi Jaiswal led the charge with a fine half-century, while young Vaibhav Suryavanshi made a notable impact for the home side. Earlier, Aiden Markram and Ayush Badoni scored impressive half-centuries, combining for a 76-run partnership for the fourth wicket, helping Lucknow post a competitive total of 180 for 5. Khan's brilliant spell in which he took 3 scalps giving away 37 runs sealed a thrilling win for the visitors.

## GT record their highest successful run chase in IPL history



RB News- Gujarat Titans (GT) on Saturday record their highest-ever successful run chase in IPL by chasing down a 204-run target against Delhi Capitals (DC) in Ahmedabad. Jos Buttler scored an unbeaten 97 off 54 deliveries to help GT chase down the target in the 20th over. GT jumped to top of the IPL 2025 points table with the win.

## Abhishek Nayar rejoins Kolkata Knight Riders support staff



RB News- Abhishek Nayar on Saturday rejoined Kolkata Knight Riders (KKR) days after being sacked as Team India assistant coach. KKR took to social media to share a picture of Nayar in KKR jersey and wrote, "Welcome back home." Nayar had left KKR after being appointed India assistant coach.

## PBKS beat RCB by 5 wickets



RB News- Punjab Kings (PBKS) defeated Royal Challengers Bengaluru (RCB) by five wickets in their rain-curtailed IPL 2025 match at M Chinnaswamy Stadium in Bengaluru on Friday. RCB have now lost three matches in a row at home in IPL 2025. They are the only team that have yet to win a home match this season.

## Caroline Garcia pulls out of Madrid Open due to injury



RB News- Former world No. 4 Caroline Garcia has pulled out of this month's Madrid Open due to a back problem, casting doubts on her health ahead of the French Open in late May. "After more tests on my back, it's clear I won't be able to play in Madrid," Garcia wrote on social media Friday. "I need to take some time for treatment and recovery. I'll do everything I can to be ready for Rome, but the main goal is to arrive strong and healthy for Roland Garros."

## Actor Shine Tom Chacko arrested by Kerala Police in drug case



RB News-Malayalam actor Shine Tom Chacko was arrested by Kerala Police on Saturday in connection with alleged drug use. Acording to officials, he has been booked under Sections 27 (consumption of narcotic drugs or psychotropic substances) and 29 (abetment and criminal conspiracy) of the Narcotic Drugs and Psychotropic Substances (NDPS) Act. They added that a medical examination will be conducted soon, along with further legal proceedings.

## BCCI bans former Mumbai T20 League team owner



RB News- BCCI Ombudsman Justice (Retd) Arun Mishra has banned the former co-owner of Mumbai T20 League franchise SoBo Supersonics, Gurmeet Singh Bhamrah, for fixing attempt. Bhamrah made a corrupt approach to players Dhawal Kulkarni and Bhavin Thakkar during the 2019 edition. The length of the ban is not known.

## Arshdeep Singh Creates History



RB News- With the wicket of Phil Salt, Arshdeep Singh became PBKS' leading wicket-taker in the IPL. Arshdeep had 84 wickets coming into this game and removed Salt in the very first over of the rain-curtailed match. Piyush Chawla, who played for PBKS from 2008-2013, led the way until now with 84 scalps at an economy rate of 7.52.

## GT pick Dasun Shanaka as replacement for injured Phillips



RB News- Gujarat Titans (GT) have picked Sri Lanka's Dasun Shanaka as a replacement for the injured Glenn Phillips for the remainder of the Indian Premier League (IPL) 2025. Dasun Shanaka, an all-rounder, has scored 1456 runs in 102 T20Is for Sri Lanka along with 33 T201 wickets. He was previously part of GT in 2023 and played three matches.

## Pakistan qualify for Women's World Cup




RB News-Pakistan have qualified for the Women's World Cup in India. They registered their fourth consecutive win in the Qualifiers on Thursday (April 17), beating Thailand by 87 runs at the Gaddafi Stadium in Lahore. With this development, it has been confirmed that the showpiece event in India, to be played later this year, will take place in a hybrid model, with Pakistan playing their set of matches at other venues.

# The fading value of print media: A concern for agency holders



Heramba Nath

The decline of print media has emerged as a serious concern in the digital era. With an increasing number of people turning to online news portals, mobile applications, and e-magazines for their daily dose of information, the relevance of traditional newspapers and magazines is slowly diminishing. While some still prefer the feel of a physical copy in their hands, many browse through these materials at stalls without making a purchase—a practice that has become a silent threat to those who depend on the business: the agency holders.

Agency holders are the backbone of the print media distribution system. They invest considerable time, effort, and money in acquiring a wide range of newspapers and magazines every day. However, when individuals merely read or flip through these publications without buying them, agency holders are left with piles of unsold copies. This results in severe financial losses that directly affect their livelihood.

What makes this situation even more concerning is the fact that this behaviour is not restricted to the less educated or economically weaker sections of society. Even educated individuals, who are expected to understand the economics of media and the hard work behind each copy distributed, are often seen engaging in this irresponsible practice. The casual act of flipping through a paper without paying for it may appear harmless, but when multiplied by hundreds or thousands, it results in devastating consequences for those who rely on these sales to survive.

Many agency holders depend solely on the income generated from the sale of newspapers and magazines. As digital media takes centre stage, their already fragile financial condition worsens. Rising costs of procurement, transportation, and rent for stalls or small shops add to their burdens. In such a challenging economic environment, every unsold copy means a direct loss of income, making it increasingly difficult for them to provide for their families or keep their businesses running.

It is high time for society to acknowledge the economic impact of this shifting trend. The responsibility lies not only with media houses or government bodies but also with the general public. Each of us can contribute to the sustenance of the print media industry by choosing to buy newspapers and magazines instead of consuming them without purchase. Small actions, when performed collectively, can make a significant difference.

If the current trend of declining print sales continues, the repercussions could be dire. We may soon witness the closure of countless agencies, stalls, and local shops. The unemployment that will follow could contribute to broader economic challenges at the local level. Moreover, the disappearance of these physical outlets may create a void in community engagement, where newspapers and magazines once played a critical role in spreading awareness and fostering informed discussions.

While the world embraces digital innovation, it is essential to understand that not all stakeholders have the same access or adaptability. Many agency holders are middle-aged or elderly individuals who may find it difficult to transition fully to digital platforms. That said, the adoption of technology could offer a lifeline. Agency holders can explore hybrid models by selling e-paper subscriptions, creating digital kiosks, or collaborating with media houses to reach a broader audience. These steps, however, require financial support, training, and public awareness.

In this context, government intervention becomes crucial. Authorities can introduce incentive schemes, provide subsidies for setting up digital infrastructure, and offer financial support to agency holders during this transitional period. Training programmes on digital skills can empower them to adapt to the evolving media landscape and reduce their dependence on physical sales.

Educational institutions and media houses also have a role to play. Awareness campaigns highlighting the economic struggles of agency holders and promoting ethical consumption of news content can go a long way in changing public behaviour. Just as we support small businesses and local vendors, we must also extend our empathy and financial backing to those who distribute the information we consume.

The fading value of print media is not just a story of changing times but also a tale of economic displacement. Agency holders are among the many small business owners affected by the rise of the digital economy. If we fail to act, we risk losing a vital component of our information ecosystem—one that provides authentic, credible, and verified news through a tangible medium.

Preserving the print media industry is not about resisting modernity; it is about ensuring inclusivity and economic justice. It is about recognising the contribution of those who rise early in the morning, distribute newspapers in all weather conditions, and maintain a reliable channel of communication for our society.

Let us all do our part. Let us make informed and ethical choices. Let us value the hands that bring us the news and ensure that the world of print continues to have a meaningful place alongside digital media.

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286